# বাজেট অধিবেশন

(অসংশোধিত/প্ৰকাশৰ বাবে নহয়)

## কাৰ্যবিৱৰণী

### তাৰিখঃ ১৬/০৩/২০২৩ বৃহস্পতিবাৰ

---

**আজি ইংৰাজী ১৬-০৩-২০২৩ তাৰিখে মাননীয় অধ্যক্ষ মহোদয়ৰ অধ্যক্ষতাত পূৰ্ব নিৰ্দ্ধাৰিত কাৰ্য্যসূচী মতে অসম বিধান সভাৰ অধিৱেশন ৰাতিপুৱা ৯.৩০ বজাত অনুষ্ঠিত হয়।**

**মাননীয় অধ্যক্ষ ঃ** এতিয়া প্ৰশ্ন নং-৬১। ৰেকিবুদ্দিন আহমেদ ডাঙৰীয়াই কওঁক।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, (মন্ত্ৰী, পৰিৱেশ আৰু বন ইত্যাদি বিভাগ)ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**শ্ৰী ৰেকিবুদ্দিন আহমেদ, (ছয়গাওঁ)ঃ** মাননীয় অধ্যক্ষ মহোদয়, যোৱা বিধান সভাত কলহী নৈৰ ৰিভাৰ ডলফিনৰ ওপৰত যি হাৰাশাস্তি হৈছিল, সেই বিষয়ে বহুবাৰ চৰ্চা হৈছিল। সেই সময়ত মোৰ এতিয়াও মনত আছে যে হিতেন্দ্ৰ নাথ গোস্বামী ডাঙৰীয়া আৰু প্ৰমিলা ৰাণী ব্ৰহ্ম ডাঙৰীয়ানীয়ে সদনত মোক আশ্বস্ত কৰিছিল যে যথেষ্ট ব্যৱস্থা লোৱা হ'ব। তেখেতে পৰিদৰ্শনো কৰিছিল। কিন্তু তথাপিতো সেইক্ষেত্ৰত যথেষ্ট কাৰ্য্যক্ষম ব্যৱস্থা লোৱা হোৱা নাই। মই আপোনাক জনাবলৈ বিচাৰিছো যে যোৱা ২ ফেব্ৰুৱাৰী ২০২৩ চনত এটা ৭০ কিলোগ্ৰামৰ বৃহৎ আকাৰৰ ৰিভাৰ ডলফিনৰ মৃত্যু হৈছে। যোৱা ৫ ফেব্ৰুৱাৰী ২০২৩ চনত আৰু এটা বৃহৎ আকাৰৰ ৰিভাৰ ডলফিনৰ মৃত্যু হৈছে। ইয়াৰ ফটো আপুনি চাব পাৰে। কিমান দুখ লগা এই ছবি। এই ৰিভাৰ ডলফিনক ৰক্ষাৰ কাৰণে বন বিভাগ আৰু অসম চৰকাৰে বিশেষ ব্যৱস্থা ল'ব লাগিব। যোৱা সময়ছোৱাত West Division, বন বিভাগে ২৪ টাৰ ওপৰত বালি খননৰ মেচিন জব্দ কৰিছে। বহুতবাৰ তাত raid ও কৰিছে। ৰিভাৰ ডলফিন আমাৰ দক্ষিণ কামৰূপৰ লগতে অসমৰো এক অমূল্য সম্পদ। মাননীয় অধ্যক্ষ মহোদয়ৰ লগতে মই আপোনাক জনাব বিচাৰিছো যে কলহী নৈ আৰু জগলীয়াৰ সংগমত এক বৃহৎ ধনী গোষ্ঠীয়ে ওৱাল দিছে। এইখন ওৱালৰ ফটো আপুনি পৰ্যৱেক্ষণ কৰিব পাৰে। সেই সময়ত প্ৰমিলা ৰাণী ব্ৰহ্ম ডাঙৰীয়ানীয়ে সেই অঞ্চল পৰিদৰ্শনো কৰিছে আৰু তাৰ পিছত কি কাৰণত তাৰ ওপৰত বিশেষ ব্যৱস্থা লোৱা নহ'ল? লগতে মই আৰু এটা কথা উল্লেখ কৰো যে স্বনামধন্য মামণি ৰয়ছম গোস্বামী বাইদেউৰ জগলীয়া নদীখন সপোনৰ নদী আছিল। এই কথা সকলোৰে জানে। কিছুদিন আগতে সাংবাদিক বন্ধুসকলৰ আহ্বান ক্ৰমে মাননীয় জয়ন্তমল্ল বৰুৱা ডাঙৰীয়াই নাওঁৰে সেই নদীখন পৰিদৰ্শন কৰিছিল আৰু নিজে তিনিঘণ্টা সময় আছিল। কলহী নদীৰ এই শিহু সমূহক ৰক্ষা কৰিবৰ বাবে বিশেষ ব্যৱস্থা কৰিব লাগে। এই ক্ষেত্ৰত কেৱল দুটামান কথা কৈ থৈ পিছলৈ কোনো ষ্ট্ৰং ব্যৱস্থা বা তদন্ত নকৰাকৈ কলহীনৈত থকা এই শিহু কেইটাক মৃত্যুলৈ আগুৱাই দিয়াটো গ্ৰহণযোগ্য নহয়। মাননীয় মন্ত্ৰী মহোদয়ক এই বিষয়ে দৃষ্টিগোচৰ কৰিব বিচাৰিছো। ইয়াৰ পিছত মই আৰু এটা বিষয় উত্থাপন কৰিম।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মাননীয় মন্ত্ৰী ডাঙৰীয়াই উত্তৰ দিয়ক।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, (মন্ত্ৰী, পৰিৱেশ আৰু বন ইত্যাদি বিভাগ)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে যিটো প্ৰশ্ন আনিছে, তাৰ বাবে তেখেতক ধন্যবাদ জনালো। অসমৰ যিটো ৰিভাৰ ডলফিন ইয়াত শিহু বুলি কোৱা হয়, এই শিহু ব্ৰহ্মপুত্ৰ আৰু আমাৰ প্ৰায় ১২ খন মান উপ-

নদীত দেখা পোৱা যায়। ইয়াৰ ভিতৰত মাননীয় সদস্য গৰাকীয়ে কলহী নদীৰ যি শিহুৰ কথা কৈছে সেই বিষয়ে মই তেওঁক আশ্বস্ত কৰিব বিচাৰিছো যে এই ক্ষেত্ৰত চৰকাৰে বিশেষ ব্যৱস্থা গ্ৰহণ কৰিছে। এই ব্যৱস্থাৰ মতে মুখ্যতঃ আমাৰ যিখন বন্য প্ৰাণীৰ সুৰক্ষা আইন ১৯৭২, আইন আছে, তাৰ অধীনত এই গোটেই ব্যৱস্থাটো কৰা হ'ব। অসম চৰকাৰে ২০০৮ চনত শিহুক অসম ৰাজ্যিক জলচৰ প্ৰাণীৰ মৰ্য্যদা দিছে। তাৰ পিছত ভাৰত চৰকাৰেও আমাৰ শিহুক ৰাষ্ট্ৰীয় জলচৰ প্ৰাণী হিচাপে মৰ্য্যদা দিছে। সেই হিচাবে আমি কলহী নৈৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰিম। ২০০৮ চনৰ পৰা এতিয়ালৈকে শিহুৰ সংখ্যা দুগুণ বৃদ্ধি হৈছে। বৰ্তমান ৫৩৭ টা শিহু আমাৰ চেনচাচত পোৱা গৈছে। বৰ্তমান শিহুৰ বাসস্থান হিচাবে ব্ৰহ্মপুত্ৰ নদীৰ উপৰিও ইয়াৰ উপনদী কলহী, সোৱণশিৰি, আৰু বাৰিষাৰ সময়ত বুঢ়ীদিহিং, জাজী, দিখৌ, জীয়া ভৰলী, মানাহ, বেকী, পহুমাৰা, কালদিয়া, পাগলাদিয়া, কলং, ডিব্ৰু নৈ আৰু পানচৈ আদি নৈত শিহুৰ চলাচল দেখা যায়। আমাৰ কলহী আৰু সোৱণশিৰি নৈত যি শিহু আছে তাৰ বাবে আমাৰ চৰকাৰ আৰু বন বিভাগে বিহীত ব্যৱস্থা ল'ব বুলি আশ্বস্ত কৰিছো । আপোনালোকে শুনি ভাল পাব যে Wildlife Institute of India, তেওঁলোকৰ জৰিয়তে এটা Earth Ganga নামৰ এটা Flagship Scheme ভাৰত চৰকাৰে লৈছে। এই স্কীমৰ জৰিয়তে আমাৰ সাতখন ৰাজ্য-অসম, বিহাৰ, ঝাৰখণ্ড, মধ্যপ্ৰদেশ, ৰাজস্থান, উত্তৰ প্ৰদেশ আৰু পশ্চিম বঙ্গক সামৰি লোৱা হৈছে। এই Earth Ganga ৰ জৰিয়তে শিহুৰ ক্ষেত্ৰত গৱেষণা আৰু সুৰক্ষা দিয়াৰ কাৰণে বিভিন্ন ব্যৱস্থা গ্ৰহণ কৰাৰ কাৰণে ভাৰত চৰকাৰৰ লগত অসম চৰকাৰে যৌথ ভাৱে ব্যৱস্থা লৈ আছো।

**শ্ৰী ৰেকিবুদ্দিন আহমেদ, (ছয়গাওঁ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, ইয়াৰ বাবে মাননীয় মন্ত্ৰী মহোদয়ক ধন্যবাদ জনাইছো। কিন্তু এই ক্ষেত্ৰত যাতে তেওঁ নিজে তাত গৈ পৰ্য্যৱেক্ষণ কৰে আৰু পদক্ষেপ গ্ৰহণ কৰে তাৰ বাবে আহ্বান জনালো। যাতে দ্বিতীয়বাৰ আৰু এই শিহুক লৈ ৰাইজৰ মনত কোনো দুখ আৰু অভিযোগ নহয়। মোৰ আৰু এটা বিষয় আছিল এই ক্ষেত্ৰত মই মাননীয় মন্ত্ৰী আৰু মুখ্যমন্ত্ৰী দুয়োজনৰে দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো। যিদৰে এশিঙীয়া গড়ক সুৰক্ষা দিয়াৰ বাবে বিশেষ পদক্ষেপ লোৱা হৈছে, ঠিক তেনেদৰে হাতীৰ ক্ষেত্ৰতো বিশেষ পদক্ষেপো লোৱাৰ প্ৰচেষ্টা হাতত ল'ব লাগে। বহু হস্তী দণ্ড এতিয়াও বেদখলত আছে। অসম চৰকাৰ আৰু ৰেল বিভাগৰ মাজত এটা খুব close relation ৰ প্ৰয়োজন আছে। ইয়াৰ অভাৱৰ বাবে কেতিয়াবা হস্তীদণ্ড আৰু ৰেলৰে ক্ৰচিঙৰ বাবে বহু হাতীৰ মৃত্যু হয়। হাতীৰ উপদ্ৰৱৰ বিষয়টো বেলেগ। যেতিয়া হাতীয়ে ভালদৰে বিচৰণ কৰিব নোৱাৰে তেতিয়া এনেধৰণৰ বিষয়বোৰ আহে। এই ক্ষেত্ৰত বিশেষ ব্যৱস্থা লবৰ বাবে আপোনাৰ জৰিয়তে অনুৰোধ কৰিলো, লগতে শিহুৰ ক্ষেত্ৰত মন্ত্ৰী মহোদয়ে যাতে বিশেষ গুৰুত্ব আৰোপ কাৰে তাৰ বাবে আহ্বান জনালো। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মাননীয় মন্ত্ৰী ডাঙৰীয়াই উত্তৰ দিয়ক।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, (মন্ত্ৰী, পৰিৱেশ আৰু বন ইত্যাদি বিভাগ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, অসমত আমাৰ প্ৰায় ন টা Animal Corridor আছে। তাৰোপৰি কাজিৰঙা আৰু কাৰ্বি আংলঙৰ মাজত প্ৰায় ১২ টা Elephant Corridor আছে আৰু সেই Elephant Corridor সমূহ মুকলি কৰি ৰখাৰ বাবে আমাৰ বন বিভাগে ব্যৱস্থা লৈছে। এই ক্ষেত্ৰত মাননীয় সদস্য আৰু সদনৰ সহায়-সহযোগিতা বিচাৰিম। হাতী অহা-যোৱা কৰা যিটো ৰাস্তা বা কৰিডৰ সেইটো বন্ধ হ'লে হাতী-মানুহৰ সংঘাত আৰম্ভ হয়। তাৰ কাৰণে National Highway Authority of India, PWD আৰু ৰেল বিভাগৰ লগত ভালদৰে আলোচনা কৰিছো। আমাৰ

এইখিনি ব্যৱস্থা আছে যে যেতিয়া Elephant Corridor ৰে হাতী পাৰ হৈ থাকে ঠিক সেই সময়ত যদি ৰেল আহে, সেই ৰেলক চিগনেল দিয়াৰ ব্যৱস্থা আছে, যাতে ৰেলে গতিটো কমাই দিয়ে। মাননীয় সদস্য গৰাকীয়ে যিটো কথা কৈছে যে বিস্তৃতভাৱে ব্যৱস্থা ল'ব লাগে সেইয়া লোৱা হৈছে আৰু ৰেল বিভাগক ষ্ট্ৰীকভাৱে কোৱা হৈছে। মই মাননীয় সদস্য গৰাকীক আশ্বস্ত কৰিছো যে শিহুৰ ক্ষেত্ৰত ব্যৱস্থা ল'বৰ বাবে মাননীয় সদস্য গৰাকীক লগত লৈ মই সেই ঠাই পৰিদৰ্শন কৰিম আৰু তাৰ বিশেষ ব্যৱস্থা গ্ৰহণ কৰিম। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া ৰফিকুল ইছলাম ডাঙৰীয়াই কওঁক।

**শ্ৰী ৰফিকুল ইছলাম, (জনীয়া)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীৰ প্ৰশ্নৰ উত্তৰত দিয়া হৈছে যে অসমৰ মুঠ মাটিকালি আৰু বন বিভাগৰ মাটি কালি ৩৪.২১ শতাংশ আছে। পাহাৰীয়া ৰাজ্যসমূহক বাদ দিলে বাকী ৰাজ্যসমূহত হয়তো ইমান বনাঞ্চল নাই। আমাৰ যদিও ভালেমান অংশ বনাঞ্চল আছে, কিন্তু আমি লক্ষ্য কৰিছো যে কাষৰীয়া ৰাজ্যসমূহে আমাৰ বহু বনাঞ্চল দখল কৰিছে। মিজোৰাম, নাগালেণ্ড, অৰুণাচল আদি ৰাজ্যই বিভাগৰ বহু অঞ্চল দখল কৰিছে। ৰাজ্যৰ ভিতৰতো বন বিভাগৰ গছ কাটি, পাহাৰ কাটি বহু বনাঞ্চল ধ্বংস কৰা হৈছে। এফালে আমি বনাঞ্চলসমূহ ৰক্ষা কৰিব পৰা নাই। আনফালে আমি মাজে মাজে প্ৰপোজ ভিলেজৰ বাবে ৰেভিনিউ ভিলেজ লৈ আছো। যেনেকৈ কালি গোৱালপাৰাৰ কথা উল্লেখ হৈছে। বুঢ়াচাপৰি এটা সময়ত ৮ শতাংশ বৰ্গ কিলোমিটাৰ আছিল আৰু পিছলৈ ৯৫ বৰ্গ কিলোমিটাৰ লৈ লোৱা হ'ল। এই অঞ্চলত বসবাস কৰা লোকসকলক সংস্থাপনৰ ব্যৱস্থা নকৰাকৈ নতুন নতুন প্ৰপোজ ফৰেষ্ট কৰা হৈছে। এই লোকসকল ক'ত যাব? মানুহৰ কাৰণেইতো বনাঞ্চল আছে। আমি বনাঞ্চল বচাব লাগিব। ৩৪ শতাংশ আমাৰ বনাঞ্চল আছে। সেইখিনি ৰক্ষা কৰিলেই যথেষ্ট। কিন্তু আমি সেইখিনি ৰক্ষা কৰিব পৰা নাই। কাষৰীয়া ৰাজ্যই দখল কৰি আছে। আনফালে আমি নিজৰ মানুহখিনিকে প্ৰপোজ ৰিজাৰ্ভ ফৰেষ্ট কৰি উঠাই দি আছো। সেইটো আমি বন্ধ কৰিব লাগে। মানুহখিনিক আমি শান্তিত থাকিব দিব লাগে। এই বিষয়ে মই মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

**মাননীয় অধ্যক্ষ** ঃ মাননীয় মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আমাৰ বৰ্তমান অসমত মাননীয় সদস্য গৰাকীয়ে যিটো কথা কৈছে যে আমাৰ ফৰেষ্ট এৰিয়া বহু পৰিমানে আছে। কিন্তু আজি যদি চোৱা যায় ৩৪ শতাংশ আছে। কিন্তু আমি যদি চাওঁ তেতিয়াহ'লে দেখিব অন্যান্য ৰাজ্য সমূহত আমাৰ ইয়াতকৈ বেছি আছে । আপুনি জানি সুখ পাব যে আন্দামান নিকোবৰ দ্বীপপুঞ্জত ৮৬.৯৩ শতাংশ, উত্তৰাখণ্ডত আছে ৭১ শতাংশ, চিকিমত ৮২.৩১ শতাংশ, মণিপুৰত ৭৬.০১ শতাংশ, হিমাচল প্ৰদেশত ৬৮.১৬ শতাংশ আছে । গতিকে আমাৰ অসমত আজিৰ দিনটোত ৩২.৪১ শতাংশ আছে। অধ্যক্ষ ডাঙৰীয়া মাননীয় সদস্য গৰাকীয়ে যিটো কথা কৈছে যে এই ৰিজাৰ্ভ ফৰেষ্টত মানুহ বিলাক কেনেকৈ থাকিব। গতিকে অধ্যক্ষ ডাঙৰীয়া, মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই তেখেতৰ বক্তব্যত স্পষ্ট কৰিছে আৰু আমি এটা কথা কঁও যে আজি যদি চাঁও আমাৰ যিখিনি ফৰেষ্ট এৰিয়া আছে সেই ফৰেষ্ট এৰিয়াৰ ভিতৰত প্ৰায় ২৭,১৫,৭৭২ বিঘা মাটি অধিগ্ৰহণ হৈ আছে । মুঠ ৰিজাৰ্ভ ফৰেষ্টৰ ২০.২৬ শতাংশ আমাৰ অধিগ্ৰহণ হৈ আছে । গতিকে ২৭,১৫,৭৭২ বিঘা মাটি আছে।

**শ্ৰী ৰফিকুল ইছলাম, (জনীয়া)** ঃ গতিকে আমি এই খিনি বেদখলমুক্ত কৰিব নোৱাৰি নেকি ? আমি পি আৰ এফ গোটেইখিনি লৈ লওঁ। এই কথাটো কিমান যুক্তি সংগত?

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ ডাঙৰীয়া, পি আৰ এফ বা ফৰেষ্ট এৰিয়াই হওক, এই গোটেইখিনি মাটি আচলতে ফৰেষ্টৰ নামতেই আছে। এই কাৰণেই আছে যাতে ইক'লজিকেল বেলেঞ্চেটো ৰক্ষা কৰিব পাৰো । মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই স্পষ্টভাৱে কৈছে যে যি সকল মাননীয় সদস্যৰ সমষ্টিত এনেকুৱা ধৰণৰ ইভিক্সন হ'ব বা এনেকুৱা পি আৰ এফ আছে, কোনোৱাই ফৰেষ্টৰ মাটি দখল কৰি আছে। কালি মাননীয় মুখ্যমন্ত্ৰীয়ে স্পষ্টভাৱে এই কথাখিনি কৈছে যে যি সকল ভাৰতীয় মানুহ হয় আৰু প্ৰকৃতাৰ্থত মাটি নাই তেওঁলোকে মাটি ওচৰত দেখুৱাই দিয়ক আৰু তেওঁলোকক সহায় কৰক । কাৰণ ফৰেষ্ট এৰিয়া বে-দখলমুক্ত হ'বই।

**শ্ৰী ৰফিকুল ইছলাম, (জনীয়া)** ঃ অধ্যক্ষ ডাঙৰীয়া, কাষৰীয়া ৰাজ্যই আমাৰ মাটি দখল কৰি আছে কিন্তু আমাৰ মানুহকে পঠাই আছো । এইটো কিমান যুক্তি সংগত । আমাৰ প্ৰকৃত ফৰেষ্টখিনি আমি বচাব নোৱাৰিলো ।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ ডাঙৰীয়া, কাষৰীয়া ৰাজ্যৰ লগত ইতিমধ্যে মাননীয় মুখ্যমন্ত্ৰীয়ে অসম- মেঘালয়, অসম-অৰুণাচলৰ লগত আমাৰ ইতিমধ্যে মন্ত্ৰী পৰ্য্যায়ৰ দল গঠন কৰি দিছে আৰু ফৰেষ্ট লেণ্ড বে-দখল মুক্ত হ'ব।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ। প্ৰশ্ন নং- ৬২ শ্ৰী ধৰ্মেশ্বৰ কোঁৱৰ ।

**শ্ৰীমতী নন্দিতা গাৰ্লোচা, (মন্ত্ৰী)** ঃ The answer is on the floor of the House.

**শ্ৰী ধৰ্মেশ্বৰ কোঁৱৰ, (সোণাৰি)** ঃ আমাৰ অসম খন বিভিন্ন জাতি আৰু জনগোষ্ঠীৰে ভৰা এখন ৰাজ্য। সমগ্ৰ অসম ৰাজ্যখনত সৰ্বমুঠ কিমান সংখ্যক জাতি জনগোষ্ঠী আছে সেই সম্পৰ্কে অসম চৰকাৰৰ এই বিভাগটোৰ হাতত কি তথ্য আছে সেই বিষয়ে জানিব বিচাৰো আৰু লগতে এই খিলঞ্জীয়া জাতি জনগোষ্ঠী সকল যিহেতুকে আমাৰ ভূমি পুত্ৰ। গতিকে এই জাতি জনগোষ্ঠীৰ ভাষণ সংস্কৃতি আৰু কলা কৃষ্টি সমূহ সুৰক্ষাৰ স্বাৰ্থত অসম চৰকাৰৰ এই বিভাগটোৱে কেনে ধৰণৰ পদক্ষেপ গ্ৰহণ কৰিছে সেই সম্পৰ্কে জানিব বিচাৰো। আমাৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়েও এই খিলঞ্জীয়া সংস্কৃতি আৰু কলা কৃষ্টি সমূহ সুৰক্ষাৰ বাবে গুৰুত্ব দিয়াৰ কথা কৈছিল। গতিকে চৰকাৰী পদক্ষেপৰ বিষয়ে মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰো ।

**শ্ৰীমতী নন্দিতা গাৰ্লোচা, (মন্ত্ৰী)** ঃ Hon'ble Speaker Sir, at present this department does not have the definite number of data on the total number of population belonging to indigenous and tribal people. But as per report collected from the Tribal Affairs Department and according to the Census Report, 2011 there are about 38,84,317 tribal people. The department of indigenous and tribal faith and culture is accountable for the protection, preservation and traditional (age old) religious beliefs and culture of the indigenous and tribal people of Assam. As an initialmeasure the department is currently in the process of providing financial assistance for the preservation and protection of traditional religious beliefs and places of worship of indigenous communities. For facilating this arrangements detailed information is being collected from the various organizations, grups of the indigenous communities and the proposed financial assistance

will be fully provided in the phase manner.

As per the information provided by the Department of the Tribal Affairs and Directorate of Tribal and Scheduled Caste Reserch Institute of Assam is making arrangements for the preservation of Art and Culture, production and broadcasting of documentaries and the promotion of cultural exchange with other commumities in the country.

Apart from that the museums are playing a decisive role in the preservaton of traditional ornaments and costumes along with the various traditional tools and equipments used by the local tribes.

Overall growth of the tribal and various Backward communities, the Development Councils and Autonomous councils of Assam, is also working towads the protection of culture and tradition of the indigenous and tribal communities.

As the question has been asked for the different groups of the indigenous and tribal people, in fact it has not been specified here. The Directorate of Tea Tribes Welfare of Assam has proposed to construct a "Kalakshetra" entitled "Assam Tea Tribal Samany Kalakshetra". In the proposed "Kalakshetra", it has been planned to set up a museum for exhibiting the history and tradition of the tea tribes of Assam. A cultural Centre for showcasing the various tribal cultural elements along with the provision of research and development Centre etc. The said Kalashetra" is proposed to be built at Hatikhuli Bagicha village of the Kaziranga Mouza in the district of Golaghat under the Bokakhat Revenue Circle. In the mean time, 30 bighas of land have already been alotted to the Directorate of Tea Tribe Welfare of Assam by the Bokakhat Revenue Circle in the month of February.

I will also like to say that even though the Directorate of Tea Tribe Welfare of Assam has been mentioned here, in fact, it has been a separate department as its own, but we have to be taken report as has been asked by the Hon'ble Member and the answer of the question has been placed should be reported to the Hon'ble Minister. Thank you.

**শ্ৰী ৰফিকুল ইছলাম (জনীয়া)** ঃ চাৰ সৰু কথা এটা ক'বলৈ থাকি গ'ল ।

**মাননীয় অধ্যক্ষ** ঃ নালাগে, আপোনাৰ ক'বলগীয়া খিনি লিখি দিয়ক।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ, (উত্তৰ কৰিমগঞ্জ)ঃ** মাননীয় অধ্যক্ষ মহোদয়, অসম চুক্তিত আমি দেখা পালো, ২৫ মাৰ্চ ১৯৭১। অধ্যক্ষ মহোদয়, মই বিধান সভাত বাৰ বাৰ প্ৰশ্ন কৰিছিলো যে খিলঞ্জীয়াৰ সংজ্ঞাটো কি? আমি সকলোৰে ইয়াৰ সংজ্ঞাটো জানিব লাগে। চৰকাৰে কৈছে যে এই সংজ্ঞাটোৰ বাবে High Level Committee বনোৱা হৈছে, ৰিপৰ্টটো পঠিওৱা হৈছে, কিন্তু তাৰ final সিদ্ধান্তটো অহা নাই। মোৰ কথাটো হৈছে, চৰকাৰে বাৰ বাৰ কোৱাৰ পিছতো High Level Committee ৰ ৰিপ'ৰ্ট দিয়াৰ পিছতো, আজিলৈকে খিলঞ্জীয়াৰ সংজ্ঞাটো কিয় নিৰ্ধাৰণ হোৱা নাই? মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে আপোনালোকে যে খিলঞ্জীয়াৰ কথা কৈ আছে, এই খিলঞ্জীয়া কোন? আমি গোটেই কেইজন তাৰ মাজত পৰোনে নপৰো clearly জানিব বিচাৰিছো।

**মাননীয় অধ্যক্ষঃ** মাননীয় মন্ত্ৰী।

**Smti Nandita Gorlosa, Hon'ble Minister, Indigeneous & Tribal Faith and Culture etc.:** Hon'ble Speaker Sir, the Department has been formed as Indigeneous Tribal Faith & Culture. In this very new Department, when this Department has been formed, according to the U.N. report, the definition of indigeneous is- Those who are present before the Colonial period have been called as an indigeneous. But, the House has to be very clear that this department is called as an Indigeneous Tribal Faith & Culture Department. I am from an indigeneous group and at the same time , I am following the religious tribal faith of this very Department. If I say to the non - tribal, then, I can not say that they are not indigeneous. They are also indigeneous. But, the department that has been made up here is the Indigeneous Tribal Faith & Culture which I think is very clear from my end. Thank You.

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ। এতিয়া প্ৰশ্ন নং ৬৩ । আশ্ৰাফুল হুছেইন।

**ডাঃ ৰণোজ পেগু,(মন্ত্ৰী, শিক্ষা ইত্যাদি)ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া হৈছে।

**শ্ৰী আশ্ৰাফুল হুছেইন, (চেঙা)ঃ** মাননীয় অধ্যক্ষ মহোদয়, যি সকলে এই সদনত দুটাতকৈ অধিক কাৰ্যকাল ধৰি আছে, তেওঁলোকে শিক্ষকৰ সমস্যা কেতিয়া শেষ হ'ব, স্কুলে কেতিয়া শিক্ষক পাব বিষয়টো সদায় উত্থাপন কৰি আহিছে। শিক্ষকৰ rationalization, বদলিকৰণ ইত্যাদি প্ৰক্ৰিয়া ১০-১৫ বছৰ ধৰি চলি আছে আৰু যুগ যুগ ধৰি যেন চলিব এই কথাটো স্পষ্ট হৈছে। ধুবুৰীত ১ঃ৪৮ চলি আছে। একে সময়তে শিৱসাগৰত ১৩ঃ১ চলি আছে। আমি ১৩ঃ১ নিবিচাৰো কাৰণ এই ৰাজ্যত আমি চাগে প্ৰথম শ্ৰেণীৰ নাগৰিক নহয়। বৰপেটাৰ এল.পি. স্কুলত ২৭ঃ১ আৰু মোৰ সমষ্টিৰ এখন স্কুলৰ তথ্য মন্ত্ৰীয়ে দিছে যে ১,০৮২ জনৰ বিপৰীতে ৬ জন শিক্ষক আছে। গতিকে, এই কথা মন্ত্ৰী মহোদয়ে আজি সদনত আশ্বস্ত কৰক যে দ্বিতীয় শ্ৰেণী, তৃতীয় শ্ৰেণী বুলি ভাবি থকা নাগৰিকসকল, যিসকলে যুগ যুগ ধৰি শিক্ষা, উন্নয়নৰ পৰা বঞ্চিত হৈ আছে, তেওঁলোকৰ ল'ৰা-ছোৱালীয়ে উচিত শিক্ষা আৰু শ্ৰেণী বা ছাত্ৰ-ছাত্ৰী অনুপাতে শিক্ষক কেতিয়া পাব?

**মাননীয় অধ্যক্ষঃ** মাননীয় মন্ত্ৰী।

**ডাঃ ৰণোজ পেগু, (মন্ত্ৰী, শিক্ষা ইত্যাদি)ঃ** অধ্যক্ষ মহোদয়, সকলোৰে জানে যে শিক্ষক বদলিকৰণৰ ক্ষেত্ৰত অনলাইন ব্যৱস্থা তৈয়াৰ কৰিছিলো আৰু তাত আবেদনসমূহ গ্ৰহণ কৰা হৈছিল। আৰম্ভণিতে আমাৰো ধাৰণা আছিল যে শিক্ষক বদলিকৰণৰ সমস্যাটো বহুত ডাঙৰ সমস্যা, সকলো শিক্ষকেই বদলিকৰণৰ আবেদন কৰিব। UDISE ৰ তথ্য মতে ২,৯০,০০০, কিন্তু, সকলোখিনি শিক্ষকক সামৰি ২,২৫,০০০ শিক্ষক আমাৰ আছে। আমি ইয়াত যেতিয়া আবেদন সমূহ গ্ৰহণ কৰিলো তাৰ পিছত আমি দেখা পাইছিলো যে ১৫০০০ শিক্ষকেহে আবেদন কৰিছে। সকলোবিলাক শিক্ষকে কৰা নাই। এই বদলিকৰণৰ সমগ্ৰ প্ৰক্ৰিয়াটো PTR maintain কৰি আৰু প্ৰত্যেকটো বিষয়ত শিক্ষক ৰাখি সমাপন কৰিব লাগিব। ধুবুৰী জিলাৰ পৰা ১৫০০ শিক্ষকে বদলিকৰণৰ আবেদন কৰিছে অৰ্থাৎ ১৫০০ শিক্ষক ধুবুৰী জিলাৰ পৰা ওলাই আহিব বিচাৰিছে। কিন্তু, ওলোটাই অসমৰ বিভিন্ন প্ৰান্তৰ পৰা ধুবুৰী জিলালৈ যাব বিচৰা শিক্ষকৰ সংখ্যা হৈছে ১০০। গতিকে, আমি ১০০ জনকহে ধুবুৰী জিলাৰ পৰা বদলিকৰণৰ অনুমতি জনাব পাৰিম। অন্যহাতে, ধুবুৰী জিলাত PTR বেছি। সেয়েহে, PTR ও maintain কৰিব লাগিব। এই জটিলতা খিনিৰ কাৰণে আমি এই শিক্ষক বদলিকৰণৰ প্ৰক্ৰিয়াটো তন্ন তন্নকৈ চাবলগীয়া হৈছে আৰু জিলাৰ ভিতৰত শিক্ষকক rationalization আৰু নতুন শিক্ষক নিযুক্তি এই কেইটাৰ লগত যাতে coordinate কৰিব পাৰো তাৰ প্ৰস্তুতিও কৰিছো। বৰ্তমান যিহেতু পৰীক্ষা চলি আছে, গতিকে, খুব সোনকালে আমি বদলিকৰণৰ অৰ্ডাৰবিলাক দিয়া আৰম্ভ কৰিম। আমাৰ বহুত বিদ্যালয় আছে য'ত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা শিক্ষতকৈ বহুত বেছি। ইয়াত আৰু এটা নতুন বিষয় ধৰা পৰিছে যে প্ৰয়োজনীয় যিটো পদবীৰ অনুমোদন, সেইটো বহুত বিদ্যালয়ত create হৈ থকা নাই। বহু বিদ্যালয়ত বহুত পদ উপৰিঞ্চি create হৈ আছে। কেৱল শিক্ষক সকলৰ rationalization নহৈ post rationalization কৰিব লাগিব। অৰ্থাৎ যিসমূহ বিদ্যালয়ত উপৰিঞ্চি পদ আছে তাৰ পৰা সেই পদটো উঠাই অন্য বিদ্যালয় য'ত নাটনি আছে তাত দিয়াৰ বাবে আমি এটা প্ৰক্ৰিয়া আৰম্ভ কৰিছো আৰু খুব সোনকালে এই ক্ষেত্ৰত এটা সমাধানৰ দিশে আমি যাম। ই এক দীঘলীয়া সমস্যা গতিকে ইয়াত জটিলতাও আছে। ইয়াক এটা প্ৰযুক্তিগত সমাধানৰ ফালে আমি নি আছো। ধন্যবাদ।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ। Second supplementary.

**শ্ৰী আশ্ৰাফুল হুছেইন, (চেঙা)ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই সদনে জানিব বিচাৰে যে মন্ত্ৰী মহোদয়ে এই rationalization ৰ প্ৰক্ৰিয়া কিমান দিনত সম্পূৰ্ণ কৰিব? Atleast আমাক এটা time bound দিয়ক, দুই মাহ বা তিনিমাহত কৰিম । আজিকালি সকলো বস্তুয়েই computerized, online ত কৰিব পাৰি। এটা কথা যে এই শিক্ষক সকলক বদলি কৰিলে তেওঁলোকে নিজৰ ঠাইলৈ যাব নিবিচাৰে নেকি? বিভাগে বদলি কৰিব নোৱাৰে নেকি? আজি গেলাৰীত আমাৰ যিমান অফিচাৰ বহি আছে, গোটেই অসমত যিমান অফিচাৰ আছে, তিনি বছৰৰ ওপৰত কোনেও ক'তো থাকিব নোৱাৰে। শিক্ষকৰ ক্ষেত্ৰত এনে কোনো ধৰা বান্ধকতা আছে নেকি যে তেওঁলোকক নিকটৱৰ্তী গাওঁ এখনত য'ত প্ৰয়োজন আছে তাত পঠিয়ালে তেওঁলোকে যাব নিবিচাৰিব বা নাযাব। এই ক্ষেত্ৰত যদি আইন বা Rule ৰ সংশোধনৰ প্ৰয়োজন হয়, সেয়াও কৰিব লাগে। আমাৰ ভিতৰুৱা অঞ্চলৰ শিক্ষানুষ্ঠান বাচি থাকিব লাগে। ৰাজহুৱা শিক্ষানুষ্ঠানৰ স্বাৰ্থত এইখিনি অন্তঃত চৰকাৰে কৰিব বুলি মই আশাবাদী।

**মাননীয় অধ্যক্ষঃ** মাননীয় মন্ত্ৰী।

**ডাঃ ৰণোজ পেগু, (মন্ত্ৰী, শিক্ষা ইত্যাদি)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই সদনক আৰু মাননীয় বিধায়কগৰাকীক আশ্বস্ত কৰিব বিচাৰোঁ যে আমি কাম কৰি আছো। আমাৰ আইনখনত কিছু সংশোধনৰ প্ৰয়োজন আছিল আৰু কেবিনেটে সেই সংশোধনী সমূহত অনুমোদন জনাইছে। গতিকে এতিয়া কামখিনি কৰাত আৰু সহজ হ'ব। আমি এই কাম সফলতাৰে কৰিম কিন্তু যদি কয় যে তাৰিখ, দিন, সময় দিব লাগে, সেইটো সম্ভৱপৰ নহয়। আমি কৰি আছো, ই এটা continuous প্ৰক্ৰিয়া, সমাধান হ'ব।

**মাননীয় অধ্যক্ষঃ** শ্বেৰমান আলী। একেবাৰে specific কৈ সুধিব। সময় নাই।

**শ্ৰী শ্বেৰমান আলী আহমেদ, ( বাঘবৰ)ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই সমস্যাবোৰৰ কাৰণে আজিৰ পৰা প্ৰায় দহ বছৰ আগত মই এই সদনত মাননীয় মুখ্যমন্ত্ৰী ...........interruptions........

**মাননীয় অধ্যক্ষঃ** Explanation নালাগে। আপুনি কি জানিব বিচাৰি আছে?

**শ্ৰী শ্বেৰমান আলী আহমেদ, (বাঘবৰ)ঃ** মহোদয়, কথাটো নক'লে নহ'ব। মই প্ৰস্তাৱ ৰাখিছিলো যে জিলা ভিত্তিত টেট পাতক। আমি as per quality যাব নোৱাৰিম। জিলা ভিত্তিত টেট পাতিলে সেই জিলাৰ ল'ৰাখিনিয়ে সুযোগ পাব। এইটো হ'ল প্ৰথম কথা।.....interruptions... চাৰ, ১৬৬১ নং গোপালপুৰ এল.পি.স্কুলত ১৬০ জন ছাত্ৰ, শিক্ষক মাত্ৰ এজন। মইনবৰী হায়াৰ ছেকেণ্ডাৰীত ১৭ টা পদ খালী আছে, subject teacher নাই .....interruptions...

**মাননীয় অধ্যক্ষঃ** তেনেকুৱা বিষয় ইতিমধ্যে প্ৰশ্নকৰ্তা জনে সুধিলে .....interruptions...

**শ্ৰী শ্বেৰমান আলী আহমেদ, ( বাঘবৰ)ঃ** বামুনদাংৰি হায়াৰ ছেকেণ্ডাৰীত ১২ টা পদ খালী, কেনেকৈ চলিব .....interruptions...

**মাননীয় অধ্যক্ষঃ** হ'ব। মাননীয় মন্ত্ৰী, জিলাভিত্তিত টেটৰ কথা কৈছে।

**ডাঃ ৰণোজ পেগু, (মন্ত্ৰী, শিক্ষা ইত্যাদি)ঃ** মাননীয় অধ্যক্ষ মহোদয়, বৰ্তমান নিযুক্তি প্ৰক্ৰিয়া চলি আছে। আমি ১০ মে'ৰ আগত নিযুক্তি প্ৰক্ৰিয়া সম্পূৰ্ণ কৰি এই শিক্ষকসকলক নিযুক্তি দিম।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ। প্ৰশ্ন নং ৬৪- শ্ৰী বিনোদ হাজৰিকা। অনুপস্থিত।

প্ৰশ্ন নং ৬৫- শ্ৰী আব্দুৰ ৰশিদ মণ্ডল।

**ডাঃ ৰণোজ পেগু, (মন্ত্ৰী, শিক্ষা ইত্যাদি)ঃ** অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া হৈছে।

**শ্ৰী আব্দুৰ ৰশিদ মণ্ডল, (পশ্চিম গোৱালপাৰা)ঃ** অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ৰ উত্তৰত সন্তুষ্ট হ'ব পৰা নাই কাৰণ যি বিষয়ত প্ৰশ্ন কৰা হৈছিল, সেই বিষয়খিনি মন্ত্ৰী মহোদয়ক মই একাধিকবাৰ মৌখিক ভাৱে আৰু লিখিত ভাৱে জনাইছো । লক্ষীপুৰ কলেজত প্ৰিন্সিপাল নিযুক্তিৰ ক্ষেত্ৰত বিজ্ঞাপন দিয়া হ'ল, আবেদন কৰিলে, Interviewer বিচাৰি বিশ্ববিদ্যালয়লৈ লিখা হ'ল, Selection Committee বাচনি কৰা দিয়া হ'ল, তাৰিখ ঠিক কৰা হ'ল, প্ৰাৰ্থীকো মতা হ'ল। কিন্তু একমাত্ৰ ৰাজনৈতিক হস্তক্ষেপত, মই ক'বলৈ বাধ্য যে প্ৰাক্তন মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ OSD এজনে গোৱালপাৰা জিলাত নিজকে মুখ্যমন্ত্ৰীৰ বা অভিভাৱক মন্ত্ৰীৰ প্ৰতিনিধি হিচাপে ব্যৱহাৰ কৰি সেই প্ৰিন্সিপাল নিযুক্তিৰ প্ৰক্ৰিয়া স্থগিত ৰাখি নতুনকৈ বিজ্ঞাপনৰ কাৰণে Governing Body ৰ President, যিজন ৮০ৰ ঊৰ্ধৰ ব্যক্তি, fully unstable ব্যক্তিৰ দ্বাৰা চিঠি লিখালে। তাত Governing Body ৰ কোনোধৰণৰ consent নাই। এই গোটেইখিনি কথা মন্ত্ৰী মহোদয়ক জনোৱাৰ পিছতো উত্তৰ তেনেকুৱাইআহিছে যে Re-advertisement ৰ কাৰণে তাত Governing Body ৰ resolution বিচৰা হৈছে। এই কথাটো দুখঃজনক। মন্ত্ৰী মহোদয়ে জানে

আৰু মন্ত্ৰী মহোদয়ে হস্তক্ষেপো কৰিছে। আৰু এটা কথা হৈছে যে খৰমুজা ব্লক educationally backward block, তাত Principal appointment হ'বনে নাই? যদি নহয়, মই নিজেও কম আজি সদনত যে যদি interview নাপাতে কাক appointment দিব? যদি নাপাতে তেতিয়াহ'লে সেইটো Court of Judicial complicacy arise হ'ব। Next, খৰমুজা ব্লক educationally backward block.যিটো educationally backward Block নহয়,তাত যেতিয়া কস্তুৰবা গান্ধী বালিকা বিদ্যালয় নিৰ্মাণৰ কাৰণে সিদ্ধান্ত লোৱা হয় তাৰ পিছত শিক্ষা মন্ত্ৰীৰ বিভাগত লিখিত অভিযোগ দিয়াৰ পিছতো তাতো ৰাজনৈতিক হস্তক্ষেপ সেই একেজন ব্যক্তিৰ দ্বাৰা, এনেকৈ ৰাজনৈতিক হস্তক্ষেপ কৰি educationally backward block ৰ যিটো অধিকাৰ খৰ্ব কৰাৰ সেইটো প্ৰতিকাৰ কিবা হ'বনে নাই?

**ডাঃ ৰণোজ পেগু, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, লক্ষীপুৰ মহাবিদ্যালয়ৰ কাৰণে অধ্যক্ষ পদৰ যি interview ৰ জাননী দিয়া হৈছিল, তাৰ বিপৰীতে তিনিখন আবেদনো আহিছিল আৰু আবেদন অহাৰ পাছত অন্য এখন মহাবিদ্যালয়ত তেখেতে Principal চাকৰি পালে আৰু গুছি গ'ল। Interview হোৱাৰ আগতে আন এজন, তেখেতে Private Institution ত কাম কৰে। গতিকে শেষত থাকিল এজন single candidate.এতিয়া single candidate হোৱাৰ কাৰণে এই Interview টো বাতিল কৰা হৈছে আৰু গুৱাহাটী বিশ্ববিদ্যালয়ক কোৱা হৈছে যে তেওঁলোকে fresh proposal দিয়ক for new advertisement. মই যিখিনি কৈছো সেইখিনি আপোনাকো লিখিতভাৱে দিছো আৰু ইয়াৰ অন্যথা নহয়।

দ্বিতীয় এটা কথা মই জনাব বিচাৰিছো, আমাৰ Principal বাচনিৰ প্ৰক্ৰিয়া আৰু কলেজ বিলাকত আমাৰ যি সহকাৰী প্ৰৱক্তাৰ বাচনি হয়, এই বাচনি প্ৰক্ৰিয়াত আমি কেতবোৰ অসুবিধাৰ সন্মুখীন হৈ আছিলো। যেনে- একেজন প্ৰাৰ্থীয়ে তিনি চাৰিখন মহাবিদ্যালয়ত আবেদন জনায় আৰু আটাইকেইখন মহাবিদ্যালয়তে তেওঁ নিৰ্বাচন হয়। তাৰ পিছত যেতিয়া তেওঁ এখন মহাবিদ্যালয়ত যোগদান কৰে ফলস্বৰূপে তেওঁ বাকী যিকেইখন মহাবিদ্যালয়ত নিৰ্বাচিত হৈছিল, সেই মহাবিদ্যালয় বিলাকত আকৌ advertisement দি পুনৰ এটা নতুন বাচনি প্ৰক্ৰিয়া তেওঁলোকে চলাবলগা হয় আৰু এইটোৰ কাৰণে আমাৰ delay হৈ গৈ থাকে। অধ্যক্ষ মহোদয়, আজি সদনত মই জনাবলৈ পাই সুখী হৈছো যে ক্ষন্তেক আগত যি কেবিনেট বৈঠক বহিছিল সেই বৈঠকে আমাৰ এটা প্ৰস্তাৱত অনুমোদন জনাইছে আৰু সেই প্ৰস্তাৱমৰ্মে আমি কেন্দ্ৰীয়ভাৱে এখন Central Principal and Teacher Recruitment Board গঠন কৰাৰ কাৰণে কেবিনেটে সিদ্ধান্ত গ্ৰহণ কৰিছে আৰু এই সিদ্ধান্তৰ পাছত এতিয়া যি আমি জটিলতাৰ মাজত থাকো, বাচনি হয় কিন্তু তেওঁ বেলেগত গুছি যায়, এই সমস্যাৰ আমি সমাধান কৰিব পাৰিম আৰু Principal নিযুক্তিৰ সমস্যাটো আমি সমাধান কৰিব পাৰিম।

আন এটা কথা অধ্যক্ষ মহোদয়, মই আপোনাক জনাব বিচাৰিছো যে আমাৰ যি P&RD Department ৰ Block আৰু Education Department ৰ Education Block এই দুটাৰ Co termination সকলো ঠাইত নহয়। চৰকাৰে মাজত কেইবাবাৰো চেষ্টা কৰিছে এইটো কৰিবৰ কাৰণে কিন্তু এতিয়ালৈকে হোৱা নাই। যিখন কস্তুৰবা গান্ধী বালিকা বিদ্যালয় অনুমোদন হৈছিলে, সেইখন খৰমুজা education block ৰ কাৰণে হৈছিল। এতিয়া খৰমুজা P&RD Block টো কোন কোন এৰিয়াক লৈ গঠিত সেইটো মই নাজানো। এতিয়া DC ক নিৰ্দেশ দিয়া হৈছে যে খৰমুজা education block ৰ ভিতৰত এই শিক্ষানুষ্ঠাণটো হ'ব আৰু

DCয়ে প্ৰতিবেদন দিছে যে এই বিদ্যালয়ৰ খনৰ নিৰ্মাণ খৰমুজা education block ৰ ভিতৰতে হৈ আছে। ধন্যবাদ।

**শ্ৰী আব্দুৰ ৰছিদ মণ্ডল, (পশ্চিম গোৱালপাৰা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এইটো সাংঘাতিক ভুল ৰিপোৰ্ট দিছে। যদি খৰমুজা education block এৰিয়াৰ সীমাৰ বাহিৰেদি যদি এটা বেলেগ গাওঁ পঞ্চায়ত, সেইটো বালিজনা উন্নয়ণ খণ্ডৰ অধীনত। ইয়াত যিটো annual work plan and budget যিটো আছিল তাত স্পষ্টকৈ ঠাই লিখা আছে। য'ত approval দিয়া আছিল সেইটো হ'ল লালপুৰা ছিমলাবাৰী। খৰমুজা educationally backward block, এইটো এটা CD Block ও হয়। কিন্তু লালপুৰাত নকৰি, সেইটো হৈছে নলঙ্গা GP------Interruption---

**মাননীয় অধ্যক্ষ ঃ** আপুনি কওক মন্ত্ৰী মহোদয়ে কি কৰিব লাগে?

**শ্ৰী আব্দুৰ ৰছিদ মণ্ডল, (পশ্চিম গোৱালপাৰা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, খৰমুজা educationally backward block ৰ অধীনত যি ঠাইত আপোনালোকৰ পছন্দ হয়, মই তাত মাতিবলৈ নাযাওঁ, তাতে সেইটো স্থাপন হ'ব লাগে। দ্বিতীয়তে, কলেজ এখন আজি দুবছৰে Principal appointment নোহোৱাকৈ হৈ আছে। Private College ত কোনোবাই কাম কৰি আছে সেইটো বেলেগ কথা। সেইটো কেনচেল কেনেকৈ হ'ব? যেতিয়া apply কৰিছে, সেইটো interview পাতিব লাগে। University য়ে Selection Committee বনাই দিছে। তেওঁলোকক মাতিছে। ৰাজনৈতিক হস্তক্ষেপত সেইবিলাক cancel কৰা হৈছে।

**মাননীয় অধ্যক্ষ ঃ** আপুনি প্ৰশ্নটো কওক। আপুনি যদি সকলো জানে, উত্তৰ আৰু লাগে কিয়? নিজে প্ৰশ্ন কৰে নিজে সকলো উত্তৰ দিয়ে।

**ডাঃ ৰণোজ পেগু, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ইয়াত কোনো ৰাজনৈতিক হস্তক্ষেপৰ কথা অহা নাই। Principal বাচনিৰ interview আমাৰ বিভাগে পোনপটীয়াভাৱে নকৰে। গুৱাহাটী বিশ্ববিদ্যালয়ে Principal বাচনিৰ interview লয়। Vice Cancellor ৰ অধীনত interview হয়। গতিকে তেওঁলোকে কৈছে যে মই ইয়াত উল্লেখ কৰিব নিবিচাৰো

-----হুলস্থুল---

**মাননীয় অধ্যক্ষ ঃ** আপোনালোক সকলোৱে বহক। Question No-65 is over.Now Question No.-66, শ্ৰী ৰবিৰাম নাৰ্জাৰী।

**ডাঃ ৰণোজ পেগু, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া হৈছে।

**শ্ৰী ৰবিৰাম নাৰ্জাৰী, (কোকৰাঝাৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ যিটো প্ৰশ্ন তাৰ উত্তৰ হিচাপে মন্ত্ৰী মহোদয়ে যিটো সদনত দাঙি ধৰিছে, সেই উত্তৰটো পঢ়ি, যোৱা দিনবিলাকত এই পবিত্ৰ সদনত মই এই একেটা বিষয়ৰ ওপৰত প্ৰশ্ন কৰি আমাৰ মন্ত্ৰী মহোদয়ৰ পৰা উত্তৰ হিচাপে পাইছিলো, তেখেতে কৈছিলে যে আপুনি নিৰাশাবাদী হ'ব নালাগে, আশাবাদী হওক আৰু আশাবাদী হৈয়ে মই ইমানদিন লৈকে অপেক্ষা কৰিছিলো। আজি আকৌ উপায়বিহীন হৈ মই এই প্ৰশ্নটো উত্থাপন কৰি সচাঁকৈ এতিয়া আশাবাদী হ'ব নোৱাৰিলো। ১০০ শতাংশ মই নিৰাশাবাদী হ'বলগা হ'ল। ফকিৰাগ্ৰাম কলেজত Science Stream introduction ৰ কাৰণে মই যোৱা সদনতো প্ৰশ্ন উত্থাপন কৰিছিলো। মন্ত্ৰী মহোদয়ে পোনপটীয়াভাৱে উত্তৰ দিছিলে যে Government is ready to introduce Science Stream in Fakiragram College.But you should take the responsibility for the infrastructure. মই উত্তৰত কৈছিলো

যে মোৰ ফালৰ পৰা মই infrastructure দিবলৈ সাজু। That is why, I'm very much optimistic to have the Science Stream in that College.কিন্তু আজি ইয়াত negative result টো পাই সচাঁকৈ মনত বহুত দুখ পাইছো।

ছাৰ, এই সদনখনত দুটা বিষয় বাৰে বাৰে উত্থাপিত হৈ আছে। এটা হ'ল-পশ্চিম গুৱাহাটী সমষ্টিৰ দ্বীপৰ বিলৰ লগত জড়িত থকা প্ৰশ্ন। তেখেতৰ যিবিলাক সমস্যা আছে, ক'বলৈ গ'লে সেইবিলাক more than 50% ইতিমধ্যে সমাধা হৈছে। এতিয়ালৈ মোৰ যিটো আশা, ষ্টুডেন্টবিলাকৰ আশা সেইটো পূৰ্ণ নকৰাটো সঁচাকৈয়ে নিৰাশাজনক। আমাৰ ছাত্ৰ- ছাত্ৰীসকলে চাইন্স অধ্যয়ন কৰি ভাল ডাক্তৰ, নাৰ্চ, ইঞ্জিনিয়াৰ, টেকনিচিয়ান, চাইনটিষ্ট হ'বৰ কাৰণে বিচাৰিছে। তেওঁলোকৰ উদ্দেশ্য সেইটোৱে। তেওঁলোক আমাৰ অসমৰ গৌৰৱ হয়, সম্পদ হয়। গতিকে আজি সদনখনৰ পৰা যদি এটা নিগেটিভ মেচেছ যায় যে চৰকাৰে আমাৰ আশাত চেচাঁপানী ঢালি দিব বিচাৰিছে- এইধৰণৰ নিৰাশাবাদী মেচেচ মই সদনৰ পৰা যোৱাটো কেতিয়াও নিবিচাৰো। আমাৰ ছাত্ৰ-ছাত্ৰীসকলৰ দাবীটো পূৰণ কৰক। মই ইয়াত অহাৰ পিচত যিটো জানো- যে , any problem can be solved on this floor of the House. Thet message should go that government is very much serious to introduce Science stream into the Fakiragram College. এই ফাইনেন্সিয়েল ইয়েৰত যাতে ছাত্ৰ-ছাত্ৰীসকলে চাইন্স পঢ়াৰ যিটো আশা আৰু ভবিষ্যত জীৱন গঢ়াৰ বাবে যিটো আশা সেইটো যাতে ভঙ্গ নহয় তাৰ বাবে চৰকাৰৰ পৰা ফকিৰাগ্ৰাম কলেজত চাইন্স ষ্ট্ৰিম ইনট্ৰ'ডিউছ কৰিবলৈ যাতে পদক্ষেপ লোৱা হয় তাৰ বাবে পুনৰ অনুৰোধ জনাইছো। ইতিমধ্যে পঞ্চাশ খন কলেজত চাইন্স ষ্ট্ৰিম দিয়া হ'ল - ওপৰঞ্চি পাঁচখন আৰু সাতখন কলেজত চাইন্স ষ্ট্ৰিম দিয়া হ'ল, এখন কিয় কনচিডাৰ কৰিব নোৱাৰিলে, কোকৰাঝাৰলৈকে কিয় যাব নোৱাৰিলে , ভবানীপুৰলৈহে গ'ল। এইফালেও চৰকাৰৰ কৃপাদৃষ্টি পৰিব লাগে। এইটো মই আশা কৰি মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো।

**মাননীয় অধ্যক্ষ ঃ** -- অনাৰেবল মিনিষ্টাৰ ....।

**ডাঃ ৰণোজ পেগু, (মন্ত্ৰী, শিক্ষা ইত্যাদি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ইতিমধ্যে পঞ্চাশখন সদ্যঘোষিত মহাবিদ্যালয়ৰ বিশখন মহাবিদ্যালয়ত বিজ্ঞান শাখা প্ৰৱৰ্ত্তন কৰা হ'ল । প্ৰয়োজনসাপেক্ষে পিচত আৰু ৫ ৰ পৰা ৭ খন মহাবিদ্যালয়ত বিজ্ঞান শাখা অন্তৰ্ভুক্ত কৰা হ'ল । এই সময়ছোৱাত আমাৰ ওচৰত দাবীবিলাক আহে, কিন্তু তাৰ লগে লগে আমি এতিয়া এটা মেপিং কৰিছো , অধ্যয়ন কৰিছো যে প্ৰকৃতাৰ্থত সেই মহাবিদ্যালয়খনত চাইন্স ষ্ট্ৰিমটোৰ প্ৰয়োজন আছেনে নাই । ওচৰৰ কলেজখনত যদি চাইন্স চলিয়েই আছে, প্ৰতিযোগিতামূলক ভাৱত কাষতে আৰু এখনত চাইন্স খুলি দিলে- পিছত গৈ দুয়োখন মহাবিদ্যালয়ে ছাফাৰ কৰে । দুয়োখনে ষ্টুডেন্টৰ কাৰণে টনা আজোৰা কৰিবলগীয়া হয় । মই আগতেও সদনক জনাইছো অধ্যক্ষ মহোদয় যে আমাৰ বিজ্ঞান মহাবিদ্যালয়সমূহত যিমানখিনি আসন থাকে , সকলো আসন পূৰা নহয় , আসন খালি থাকি যায় । সেই কাৰণে আমি বিদ্যালয়ত বিজ্ঞানৰ জনপ্ৰিয়তাৰ কাৰণে কাম কৰি আছো। আমি যি মেপিং কৰিছো যদি ফকিৰাগ্ৰাম মহাবিদ্যালয়খন এই মেপিঙত আহে , কাষৰ কোনো মহাবিদ্যালয়ত বিজ্ঞান পঢ়িবলৈ যাব পৰা সুবিধা নাই তেতিয়া হ'লে খুৰ সোনকালে আপোনাৰ মহাবিদ্যালয়খন বিবেচনাৰ মাজলৈ আহিব। ধন্যবাদ ।

**শ্ৰীৰবিৰাম নাৰ্জাৰী, (কোকৰাঝাৰ পশ্চিম) ঃ** অধ্যক্ষ মহোদয়, মই এটা কথা জনাও যে, ফকিৰাগ্ৰাম টাউন কমিটি হিচাপে চৰকাৰে ছয় বছৰ আগতে ঘোষণা কৰিছে । ফকিৰাগ্ৰামত ভাৰত চৰকাৰৰ

ভালেকেইটা অফিছ আছে । তাত অসমৰ বাহিৰৰ পৰা আহি চাকৰি কৰি থকা পৰিয়ালসমূহৰ ছাত্র ছাত্রী আছে । তাত পপুলেশ্যনৰ যিটো ডেনচিটি আৰু ছাত্র-ছাত্রীসকল সংখ্যা যথেষ্ট আছে । গতিকে এনৰোলমেন্ট ডিউছ আছে । এতিয়া ফকিৰাগ্রামত এইটো মেজৰ ডিমাণ্ড হৈ আছে । গতিকে স্পিচিয়েল কনচিডাৰেশ্যনত ফকিৰাগ্রাম টাউন হিচাপে প্রায়ৰিটি দি চৰকাৰে চাইন্স ষ্ট্রিম দিয়াৰ ব্যৱস্থা কৰিব নেকি ?

**মাননীয় অধ্যক্ষ ঃ** অনাৰেবল মিনিষ্টাৰ ।

**শ্রীঅখিল গগৈ, (শিৱসাগৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ইমান দিনৰ পৰা লাগি আছে চাইন্স ষ্ট্রিমটো কিয় নিদিয়ে?

**মাননীয় অধ্যক্ষ ঃ** প্লিছ --- আপুনি বহক । কোৰেশ্বনৰ ৰিপ্লাই আছে ।

**ডাঃ ৰণোজ পেগু, (মন্ত্রী, শিক্ষা ইত্যাদি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্যগৰাকীয়ে যিখিনি জাষ্টিফিকেশ্যন দিছে আমি পৰীক্ষা কৰিম আৰু সোনকালে সিদ্ধান্ত ল'ম ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ, আপুনি যেতিয়াই চাৰ্ভে কৰিবলৈ যাব তেতিয়া বিধায়ক ডাঙৰীয়াকো লগত লৈ যাব। তেখেতে বিষয়াসকলক নজনাখিনি বুজাই দিব। .... এতিয় জাকিৰ হুছেইন সিক্‌দাৰ ।

**শ্রীজাকিৰ হুছেইন সিক্‌দাৰ, (সৰুক্ষেত্রী) ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া , মই প্রতিনিধিত্ব কৰা সৰুক্ষেত্রী বিধান সভা সমষ্টিৰ কোনো এখন মহাবিদ্যালয়ত বিজ্ঞান শাখা নাই । ২০১৬ চনৰ পৰা বিধায়ক হিচাপে নিৰ্ব্বাৰ্চিত হৈ পবিত্র বিধান সভাত আহিছো । তাৰ পিছতো কেইবাবাৰো মহাবিদ্যালয়ত বিজ্ঞান শাখা দিয়াৰ বাবে দাবী জনাইছো। ইয়াৰ আগতে মাননীয় সিদ্ধাৰ্থ ভট্টাচাৰ্য্য ডাঙৰীয়া শিক্ষামন্ত্রী আছিল, তেতিয়া শিক্ষা বিভাগে এখন তালিকা উলিয়াইছিল। তাত মোৰ সমষ্টিৰ সৰ্থেবাৰীত বাপুজী মহাবিদ্যালয়ত বিজ্ঞান শাখা দিয়াৰ কথা ঘোষণা কৰিছিল কিন্তু পৰৱৰ্ত্তী সময়লৈকে এই ঘোষণা ঘোষণা হৈয়ে থাকিল । তাৰ পিচত আকৌ লিষ্ট ওলাল , তাতেও বাপুজী কলেজৰ নাম নাই । গতিকে মই আপোনাৰ জৰিয়তে মন্ত্রী ডাঙৰীয়াক আহ্বান জনাম সৰুক্ষেত্রী সমষ্টিৰ বাপুজী মহাবিদ্যালয় , সৰ্থেবাৰী, হৰেন্দ্র- চিত্রা মহাবিদ্যালয় , ভক্তৰদবা এই মহাবিদ্যালয় কেইখনত কেতিয়া বিজ্ঞান শাখা খুলিব আৰু মন্ত্রী মহোদয়ে যিটো ক্রাইটেৰীয়াৰ কথা কৈছে, দূৰত্বৰ কথা কৈছে, ছাত্র- ছাত্রীৰ কথা কৈছে এই গোটেইখিনি তাত হ'ব। গতিকে মই আশা কৰিছো যে আজি সদনত মন্ত্রী মহোদয়ে উত্তৰখিনি দিব।

**মাননীয় অধ্যক্ষ ঃ** অনাৰেবল মিনিষ্টাৰ ।

**ডাঃ ৰণোজ পেগু, (মন্ত্রী, শিক্ষা ইত্যাদি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এটা অঞ্চলৰ যিটো পপুলেশ্যন , ডেনচিটি কিমান সেইটো চোৱাৰ ওপৰিও মহাবিদ্যালয় এখনত বিজ্ঞান শাখা, কমাৰ্ছ শাখা দিয়াৰ ক্ষেত্রত এটা আমাৰ ক্রাইটেৰীয়া আছে। আমি চাওঁ যে মহাবিদ্যালয়খনে গুণগত শিক্ষাৰ মান দণ্ড উন্নত কৰাৰ বাবে নিজাববীয়াকৈ কেনেধৰণৰ প্রচেষ্টা হাতত লৈছে। বিশেষকৈ ' নাক' ৰ এক্রিডেটেশ্যনৰ কাৰণে ব্যৱস্থা গ্রহণ কৰিছেনে নাই । আজিও অসমত বৃহৎ সংখ্যক মহাবিদ্যালয়ে ' নাক ' ৰ এক্রিডেটেশ্যনৰ বাবে আবেদনেই কৰা নাই । তাৰ মাজতো কিন্তু বহু সংখ্যক মহাবিদ্যালয়ৰ পৰা আমাৰ ভাল ফলাফল আহি আছে । ধুবুৰীৰ বি. এম, কলেজ, জাগীৰোড কলেজ, সোনাপুৰ কলেজ এইকেইখন কলেজে শেহতীয়াভাবে ' নাক'ৰ গ্রেড পাবলৈ সক্ষম হৈছে । আমি কি গ্রেড পাইছে সেইটো নাচাও, কিন্তু কলেজখনে ' নাক 'ৰ এক্রিডেটেশ্যন কৰিছে নে নাই সেইটো চাওঁ । মই এটা কথা বিভাগীয় মন্ত্রী হিচাপে জনাব বিচাৰিম যে যি সমূহ মহাবিদ্যালয়ে

'নাক'ৰ এক্রিডেটেশ্যন কৰোৰা নাই তাত কোনো স্কিম দিয়াটো বাদেই দিয়ক চৰকাৰী অনুদানে নিদিয়ে। যদি ' নাক 'ৰ এক্রিডেটেশ্যন কৰাইছে তেনেহ'লে চৰকাৰে অনুদানো দিব প্রয়োজনসাপেক্ষে নতুন স্কিমো দিব। ধন্যবাদ ।

**মাননীয় অধ্যক্ষ ঃ** কোৰেশ্যন নং- ৬৭ - আব্দুচ চোৱাহান আলী সৰকাৰ ।

**শ্রীআব্দুচ চোৱাহান আলী সৰকাৰ, (গোলকগঞ্জ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ প্রশ্নৰ উত্তৰ যিটো পাইছো তাত মই সন্তুষ্ট নহও । মোৰ গোলকগঞ্জ সমষ্টিত এতিয়াও বহু গাঁৱত এশ শতাংশ ইলেকট্রিচিটি কানেকশ্যন হোৱা নাই । হয়তো ডিপার্টমেন্টে নাজানে মোৰ সমষ্টিত এনেকুৱা অঞ্চল আছে তাত সৌৰ পেনেলো নাই , কাৰেন্টো নাই। আমাৰ এখন প্রসিদ্ধ ঠাই 'ৰামৰায়কুটি' ছত্রশাল বুলি আমি যাক কওঁ তাৰ নাতি দূৰত ৱেষ্ট বেংগলৰ সীমাৰ কাষত এখন আমাৰ গাওঁ আছে । তাত ইলিকট্রিচিটিও নাই , সৌৰ পেনেলো নাই । মই দুটা কোৰেশ্বন অবতাৰণা কৰিব খুজিছো- ইয়াত লিখা আছে বক্সিৰ হাট ৰেলৱে ষ্টেশ্যনৰ কাষত উত্তৰ পাৰত যিটো অঞ্চল আছে আৰ ডি এচ এচ আঁচনিৰ অধীনত অনুমোদন দিলে ইলিকট্রিচিটি দিব বুলি কোৱা হৈছে । মই মন্ত্রী মহোদয়ক অনুৰোধ জনাইছো যে অতি সোনকালে যাতে ব্যৱস্থা কৰি দিয়ে । যিবিলাক অঞ্চলত কাৰেন্ট পোৱা নাই তাৰ যেন ব্যৱস্থা কৰে । বিশেষকৈ য'ত ইলেক্ট্রিফিকেশ্যন অন গ্রীডেৰে আমি কেতিয়াও কৰিব নোৱাৰো তাত চাব গ্রীডেৰে সৌৰ পেনেল দি বিজুলী দিয়াৰ ব্যৱস্থা কৰিব লাগে।

**মাননীয় অধ্যক্ষ ঃ** Hon'ble Minister

**Smti Nandita Gorlosa, Hon'ble Minister:** Hon'ble Speaker Sir, as the question is about the Golakganj which is in Dhubri it has been given that belongings to the Golakganj LAC under Dhubri district electrification 1 portion of the village namely ChotoPolagi near Assam West Bengal is remaining un-electrified which is very justified, so for this reason was electrification for this remote portion of the village could not be taken up, in due to local Right of Way issues and requirement of Railway Track crossing permission. As of now, ROW problem has been resolved and steps regarding railway track crossing has also been initiated with submission of construction of 11 KV underground railway track crossing for providing power supply to the un-electrified portion of the village. Moreover, parameter required for electrification of the households has also been proposed earlier under balance left out un-electrified households exits after execution of DDUGJY, new electrification will be done as and when necessary approval will be received. And to the play where, he had asked for the if there is no on grid for an off grid mode that has been asked there were no un-electrified villages under Golaganj LAC under Dhubri which is required to be electrified via off grid mode, so no solar panel has been distributed under this Dhubri district and as it has been asked we will definitely look into it, we have given the number

of villages around 23 nos. of villages are there which I think very soon we will be looking into it. Thank you.

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া প্ৰশ্ন নং ৬৮। শ্ৰীপৃথ্বিৰাজ ৰাভা।

Smti Nandita Gorlosa, Hon'ble Minister: Hon'ble Speaker Sir, a Question is laid in the House.

**শ্ৰীপৃথ্বিৰাজ ৰাভা, (তেজপুৰ)ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰীমহোদয়াক সুধিব বিচাৰিছোঁ যে চাৰিদুৱাৰ ব্ৰহ্মপুত্ৰ আৰু খালৈবিল ফিচাৰী কোঅপৰেটিভ চছাইটি লিমিটেড এই কোঅপাৰেটিভ চছাইটিতো সম্পূৰ্ণ হওঁতে খিলঞ্জীয়া আমাৰ কৈবৰ্ত সম্প্ৰদায়ৰ লোকৰ দ্বাৰা গঠিত। প্ৰায় ১৩১৭ গৰাকী সদস্য আছে আৰু ১৩১৭ গৰাকী সদস্যৰ লগত প্ৰায় কেবাহাজাৰো পৰিয়ালৰ মানুহ ইয়াৰ লগত সংযুক্ত হৈ আছে। এই গোটেই কোঅপাৰেটিভ চছাইটিটো ব্ৰহ্মপুত্ৰ নদী covering 2 or 3 LAC, Tezpur LAC, Barchalla LAC and part of Dhekiajuli LAC. তেখেত সকলে মাছ মাৰে ব্ৰহ্মপুত্ৰত। কিন্তু হঠাৎ অসম চৰকাৰৰ ফিছাৰী বিভাগৰ নিৰ্দেশ আৰু শোণিতপুৰ জিলা উপায়ুক্ত মহোদয়ৰ হুকুম মৰ্মে এই গোটেই ব্ৰহ্মপুত্ৰ খনWild life sanctuary ৰ আওতাৰত পঠিয়াই দিয়া বুলি কৈছে। তাত এতিয়া তেখেত সকলে মাছ মাৰিব যাব নোৱাৰে। গতিকে এই যে হাজাৰ হাজাৰ অসমীয়া খিলঞ্জীয়া মাছ মৰীয়া লোক তেওঁলোকৰ আৰ্থিক অৱস্থা তথৈবচ হৈ পৰিছে। গতিকে এই বিষয় লৈ মই এটা কথা সুধিব খুজিছোঁ, যদিও মাছ মাৰিব যাব সকলো মানুহকে নিদিয়ে এই কোঅপাৰেটিভ চছাইটিৰ যি সকল সদস্য আছে এই সদস্য সকলক এখন এখন আইকাৰ্ড দি তেখেত সকলক ব্ৰহ্মপুত্ৰত মাছ মাৰিব দিব নোৱাৰে নেকি?

**মানননীয় অধ্যক্ষ :** Hon'ble Minister.

Smti Nandita Gorlosa, Hon'ble Minister: Hon'ble Speaker Sir that the question has been asked of the Chariduar Khaloi Beel Society, the information which we have been received is very true and the reason for it is also that Chariduar Brahmaputra Khaloi Beel Society Cooperative Society which has been registered in 1975-76 and this settled fisherman because of the expansion probably under the report which has been provided by Environment and Forest Department they were restrained from fishing in the allotted area of the Brahmaputra river as per Fishery Department Notifications. Number has been given here, so this Notification of Fishery Department and order of the Deputy Commissioners Office of Sonitpur has also been enclosed and there were 1317 shareholders in Chariduar Brahmaputra and Khaloi Beel Fishery Cooperative Society and out of these 543 nos. of shareholders are also there and they were also given the one time assistance for fisherman under Prime Minister Matsya Sampada Scheme and the report has been received from the Environment and Forest Department this Schemes will be taken up as per law for the people residing

in the neighbouring village areas. And the suggestion that you have given it of the I-Card, whether it can be given to them and go for fishing in that particular area, we will discuss it and let you know. Thank you.

**শ্ৰীপৃথ্বিৰাজ ৰাভা, (তেজপুৰ)**ঃ ধন্যবাদ, আৰু এটা মোৰ কবলগীয়া আছে যে ১৩১৭ জন সদস্য, ১৩১৭ জন সদস্যৰ লগত তেওঁলোকৰ পৰিয়াল নিহীত হৈ আছে। এতিয়া মন্ত্ৰী মহোদয়াই কৈছে যে এই সকলৰ ভিতৰত ৫৪৩ জনক মৎস্য সম্পদ যোজনা আঁচনিৰ জৰিয়তে ৩০০০ এক কালীন সাহাৰ্য্য আগবঢ়াইছে। এই ৩ হাজাৰ এককালীন সাহাৰ্য্য দি এটা পৰিয়াল গোটেই জীৱন চলিব পাৰে নেকি? গতিকে ইয়াৰ বিকল্প তেওঁলোকক কি কাৰণ তেওঁলোক আজীৱন মাছমৰীয়া। তেওঁলোকে ষ্টেচনাৰী দোকান, উদ্যোগ খুলিব নোৱাৰে। অসমীয়া খিলঞ্জীয়া সেই মাছ মৰীয়া সকল। তেওঁলোকক মাছ মৰাৰ সুবিধাটো কৰি দিব লাগে। মই যিটো কথা কৈছো ব্ৰহ্মপুত্ৰ নদীত তেওঁলোকক মাছ মৰাৰ সুবিধাটো কৰি দিব লাগিব আৰু এই বিষয়ে বন বিভাগ, সমবায় বিভাগ আৰু ফিচাৰী বিভাগ, এই তিনিটা বিভাগে আলোচনা কৰি কেনেকৈ এই ১৩১৭ টা পৰিয়ালক মাছ মাৰিব দিব পাৰে আৰু ৫৪৩ জন ব্যক্তিক যে ৩ হাজাৰ টকাকৈ দিছে সেই ৩ হাজাৰ টকাটো sufficient নহয়।

**মাননীয় অধ্যক্ষ :** Hon'ble Minister.

Smti Nandita Gorlosa, Hon'ble Minister: As I have said this many numbers of people will be given some Assistance and the House also should be aware that we the Cooperative Department has already registered for the packs, it can also be said that even if it is not only for fishing, provided they were only doing fishing, we are also giving an assistance for the packs which is one of the Government Prime activity of the Fishery Department and we will definitely see what steps can be taken up for them initially under the packs also. Thank you.

**মাননীয় অধ্যক্ষ**ঃ এতিয়া প্ৰশ্ন নং ৬৯। শ্ৰীজিৰণ বসুমতাৰী।

**শ্ৰীজিৰণ বসুমতাৰী, (গোসাইগাঁও)**ঃ মাননীয় অধ্যক্ষ মহোদয়, মই যিখিনি প্ৰশ্ন কৰিছিলো, মন্ত্ৰী মহোদয়ৰ পৰা পাইছো। তথাপিতো মই কবলগীয়া এইটো আছে যে PMJVK আঁচনি খন কৰিবলৈ যাওঁতে য'ত ২৫ শতাংশ minority population আছে তাত কৰা হয় বুলি উল্লেখ কৰিছে।

**মাননীয় অধ্যক্ষ**ঃ সময় কম আছে। স্পেচিফিক প্ৰশ্নটো কৰক।

**শ্ৰীজিৰণ বসুমতাৰী, (গোসাইগাঁও)**ঃ মই supplementary কৰি কৈছো, ইয়াৰ লগত এইখিনি যোগ কৰিব বিচাৰিছোঁ, গতিকে এইটো constituency wise নহয়, য'ত ২৫ শতাংশ minority population থাকে তাত হয়। কিন্তু আমাৰ গোসাইগাওঁ সমষ্টিতো এনেকুৱা minority population থকা জনবসতি বহু থকা সমষ্টি, য'ত more than 50% minority population আছে। গতিকে মই ভাৰো সন্মানীয় মন্ত্ৰী মহোদয়ে কৈছে ২০২২-২৩ ত এইবিলাক আঁচনি ল'বলৈ ইতিমধ্যে যো-জা চলি আছে গতিকে মই আশা কৰিছো অনাগত সময়ত মোৰ

গোসাইগাওঁ সমষ্টিত PMJVK আঁচনি খন যাতে গৈ পায় তাৰ কাৰণে আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছোঁ। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। মাননীয় মন্ত্ৰী।

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আচলতে কথাটো আমি ২৫ শতাংশ যে কৈছো, যে যিটো স্থানত আপুনি অনুস্থান এটা দিব সেই স্থানৰ পৰা ১৫ কি.মিটাৰৰ ভিতৰত ২৫ শতাংশ minority population লাগে। গতিকে আপোনাৰ সমষ্টিত তেনেকুৱা আছে। গতিকে ২০২২-২৩ ত এইটো নিশ্চয় বিবেচনা কৰিম।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। আৰু কিবা আছে? আৰু এক মিনিট আছে।

**শ্ৰীজিৰণ বসুমতাৰী (গোসাইগাঁও) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে আশ্বাস দিছে, গতিকে মই আশাৰে বাট চাই থাকিম যে ২০২২-২৩ ৰ বাজেটত মই মোৰ সমষ্টিত PMJVK আঁচনি খন পাই যাম।

**মাননীয় অধ্যক্ষ ঃ** The Question Hour is over. এতিয়া " The Indian Partnership (Assam Amendment) Bill 2023" এই ক্ষেত্ৰত ৰাজভৱনৰ পৰা এটা বাণী আছে Under the Provision of Article 207 (1) of the Constitution of India, I, Shri Gulab Chand Kataria, the Governor of Assam recommends the introduction of "The Indian Partnership (Assam Amendment) Bill 2023" in the Assam Legislative Assembly.

এতিয়া মই মাননীয় বিত্ত মন্ত্ৰীৰ হৈ সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰীক বিধেয়কখন উত্থাপনৰ বাবে প্ৰস্তাৱ কৰিলো।

**শ্ৰী পিযুষ হাজৰিকা, (সংসদীয় পৰিক্ৰমা মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ অনুমতি সাপেক্ষে সন্মানীয় বিত্ত মন্ত্ৰী অজন্তা নেওঁগ ডাঙৰীয়ানীৰ হৈ "The Indian Partnership (Assam Amendment) Bill 2023" বিধেয়কখন উত্থাপনৰ বাবে প্ৰস্তাৱ কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্নটো হ'ল "The Indian Partnership (Assam Amendment) Bill 2023" বিধেয়কখন উত্থাপন কৰাৰ বাবে সন্মতি আছে নে? যি সকল সদস্য/সদস্যা সপক্ষে আছে তেখেত সকলে কওক হয়, যি সকল বিপক্ষে আছে তেখেত সকলে কওক নহয়, মই ভাবো হয়ৰ হয়ৰ সপক্ষে, হয়ৰ হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, বিধেয়কখন উত্থাপন হ'ল।

**আমাৰ ২০২৩-২৪ বিত্তীয় বৰ্ষৰ বাজেট ১১.১৫ ৰ পৰা বিত্ত মন্ত্ৰীয়ে সদনত দাখিল কৰিব। সেয়েহে ১১.১৫ বজালৈ সদন স্থগিত ৰখা হ'ল।**

(আজি ইংৰাজী ১৬-০৩-২০২৩ তাৰিখে দিনৰ ১১ঃ১৫ বজাত মাননীয় অধ্যক্ষ মহোদয়ে সদনৰ কাম-কাজ পুনৰ আৰম্ভ কৰে)

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ, (কৰিমগঞ্জ উত্তৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয় , বাজেটৰ কঁপিবোৰ আমি পোৱা নাই।

**শ্ৰীদেৱব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, Economic Survey report টো দিব লাগে। যিটো বিধান আছে। এইখন দিলে ভাল পাম ছাৰ।

**মাননীয় অধ্যক্ষ ঃ** লৰীত আছে।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, Economic Survey report টো প্ৰিন্ট হৈ আছে, মই ভাবিছিলো লে' কৰা হৈছিল বুলি। গতিকে during the day আমি লে' কৰি দিম।

**শ্ৰীদেৱব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি)** ঃ মাননীয় অধ্যক্ষ মহোদয়, এইটো এদিন আগতেই দিব লাগে। ভৱিষ্যতে যাতে এনেকুৱা নহয়।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আচলতে মোৰেই ক'ৰবাত confusion হ'ল। প্ৰিন্ট তিনিদিন আগতেই হৈ আছিল। আজি আমি এতিয়া লে' কৰি দিম।

**মাননীয় অধ্যক্ষ ঃ** সন্মানীয় সদস্য সকল, মই বহুত অসুবিধা পাওঁ, অধ্যক্ষ হৈ প্ৰথম দিনা যিদিনা খনৰ পৰা মই অধ্যক্ষ হৈছো, সেইদিনাৰ পৰা মই কৈছো যে টেবুলে টেবুলে আমি ইমান ইমান কিতাপবোৰ নাৰাখো, লবীৰ পৰা সকলোৱে পাব। গতিকে লবীৰ পৰা সকলোৱে লৈ ললে হৈ যায়। এইটো ইছু হৈ থাকিব নালাগে।

(বাজেট কঁপি সমূহ সকলো মাননীয় সদস্য-সদস্যাক বিতৰণ কৰে)

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মই বিত্ত মন্ত্ৰী ডাঙৰীয়ানীক বাজেট ভাষণ প্ৰদান কৰিবলৈ অনুৰোধ জনালো।

**শ্ৰীমতী অজন্তা নেওগ, (বিত্ত মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়,

**বাজেট ভাষণ .......................**

**মাননীয় অধ্যক্ষ** ঃ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই কিবা ক'ব বিচাৰিছিল।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ অনুমতি সাপাক্ষে মই ক'ব বিচাৰিছো যে বাজেটৰ পৰা আঁতৰি এটা বিশেষ বিষয় সদনত দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো। যোৱা কিছুদিন ধৰি ৰাজ্যৰ মেট্ৰিক পৰীক্ষাৰ সাধৰণ বিজ্ঞানৰ পেপাৰখন লিক হোৱাৰ বাবে ছাত্ৰ-ছাত্ৰী সমাজ বিদ্যাৰ্থী সমাজ আৰু অসমৰ ৰাইজ এক গভীৰ উদ্বিগ্নতাত মাজেৰে সময় পাৰ কৰিবলগীয়া হৈছে। মুখ্যমন্ত্ৰী হিচাবে অতি বিনম্ৰতাৰে অসমবাসী ৰাইজৰ মই ক'ব বিচাৰিছো যে মেট্ৰিকৰ প্ৰশ্নকাকতখন লিক হ'ব নালাগিছিল আৰু সেই লিক হোৱা মই ভাবো কৰোৱাত নহয় কৰোৱাত আমাৰ বৰ্থ্যতাকে সুচায়। মুখ্যমন্ত্ৰী হিচাবে বৰ্থ্যতাৰ দায়িত্ব মই স্বীকাৰ কৰিছো। ছেৱাক ভৱিষ্যতৰ দিনত আৰু অধিক সক্ৰিয় কৰি এই ধৰণে যাতে কেতিয়াও প্ৰশ্নকাকত লিক হ'ব নোৱাৰে। তাৰ শক্তিশালী ব্যৱস্থা ল'বলৈ মই পৰামৰ্শ দিম। ছাত্ৰ-ছাত্ৰী সকলক আহ্বান জনাম যে এক নতুন উদ্যমেৰে তেওঁলোকে পৰীক্ষা অৱত্তীৰ্ণ হৈছে। তেখেত সকলৰ ভৱিষ্যতৰ সুৰক্ষাৰ দায়িত্ব আমি ল'ম। অতি দুখ আৰু ব্যৰ্থিত হৃদয়ৰে মই আপোনাক আৰু সদনক জনাবলৈ পায় দুখ পাইছো। এই গোটেই ঘটনাটোৰ লগত অসমৰ এখন বিদ্যালয়ৰ এজন বিশেষ চেন্টাৰ ইনচাৰ্জ আৰু সহযোগিতাত তেওঁলোকৰ লগত ৪ জন শিক্ষক জড়িত হৈ আছিল। আজি আমি এই গোটেই ঘটনাটো অসম আৰক্ষীয়ে crack কৰিব পাৰিছে। শিক্ষক কেইজনক চিনাক্তকৰণ কৰা হৈছে। চেন্টাৰ ইনচাৰ্জজনক ইতিমধ্যে চিনাক্ত কৰিবলৈ সক্ষম হৈছো। সাক্ষী সকলৰ উপযুক্ত প্ৰমাণ আমি সংগ্ৰহ কৰিব পাৰিছো। অসম আৰক্ষীয়ে নিৰ্দিষ্ট শিক্ষকজনক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হোৱাৰ

লগে লগে অসম আৰক্ষীয়ে গোটেই ঘটনাটোৰ বিষয়ে সমগ্ৰ অসমৰ ৰাইজক জনাবলৈ সক্ষম হ'ব। শিক্ষক সমাজ যেতিয়া গৰ্হিত কামত লিপ্ত হৈ পৰে তেতিয়া ছেবা বা শিক্ষামন্ত্ৰীৰ ভূমিকাই কিমান গৌণ সেইটো আমি নিজে অনুভৱ কৰিব পাৰো। যাক চিন্তা কৰি, বিশ্বাস কৰো যে, এখেত সকলে আমাক শিক্ষাক ওপৰলৈ লৈ যাব, এখেত সকলে আমাক শিক্ষা ব্যৱস্থাক সংবৰ্ধন কৰিব। যেতিয়া উদে ভেটা ৰখিয়া হৈ পৰে তেতিয়া সমাজে গ্লানিৰ পৰ্য্যায়লৈ নিৰন্তৰ গতি কৰে। আমি এই ক্ষেত্ৰত অসম আৰক্ষীয়ে এই আটাইকেইজন অভিযুক্তক আনি আইনৰ ওচৰলৈ লৈ যোৱা , কঠোৰৰ পৰা কঠোৰতম শাস্তি প্ৰদানৰ আমি ব্যৱস্থা কৰিম, আৰু এই গোটেই ঘটনাটোৰ বিষয়ে আৰক্ষী সঞ্চালক প্ৰধানে সময়ত সাংবাদিক সকলৰ জৰিতে অসমৰ ৰাইজক অৱগত কৰিব। মই ইমানটোৱে আশ্বস্থ কৰিব খোজো যে যোৱা দুদিনৰ আপ্ৰাণ প্ৰচেষ্টাৰ ফলত মই নিৰৱে এই কাৰনে আছিলো যে যাতে মোৰ নিৰৱতাই অসম আৰক্ষীৰ কাম কৰাত সুবিধা দিয়ে। দুটা দিনৰ নিৰ বিচ্ছিন্ন তদন্তৰ পিছত আমি দোষীক চিনাক্ত কৰিছো। এজন দোষী কৰায়ত্ব হৈছে। আন তিনিজন দোষীক আমি চেন্টাৰ ইনচাৰ্জসহ আৰু দোষী শিক্ষক দুজনক আমি খুব সোনকালে গ্ৰেপ্তাৰ কৰাৰ পথত আছো। মই নাম আৰু ঠিকনা এই কাৰনে জনাব খোজা নাই যাতে আৰক্ষীৰ তদন্ত প্ৰক্ৰিয়াত বাধা নহয়। আৰু যি সকলে কামটো কৰিছিল, তেওঁলোককো মই কৈছো যে কোনো কাৰনতে সাৰি যোৱা ৰাস্তা নাই। যিমান সোনকালে পাৰে, যিহেতু আমি গম পাইছো, তেওঁলোকেওঁ গম পাইছে, আমি কাৰ কথা কৈছো, তেখেত সকলে যাতে খুব সোনকালে আৰক্ষীৰ ওচৰত আত্মসমৰ্থন কৰি এই ষড়যন্ত্ৰত আৰু যদি কিবা জড়িত আছিল গোটেই কথা যাতে তেওঁলোকে আৰক্ষীৰ আগত প্ৰকাশ কৰে তাৰ বাবে মই তেওঁলোককো কঠোৰ ভাবে সকিয়নি আৰু আহ্বান জনাম ধন্যবাদ।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ।

**শ্ৰী ভৰত চন্দ্ৰ নৰহ (নাওবৈছা)** ঃ ইয়াত ছেবা প্ৰত্যক্ষ ভাৱে বা পৰোক্ষ ভাবে জড়িত আছেনে নাই সেই বিষয়টো তদন্তৰ আওঁতালৈ আনিব লাগে।

**ড° হিমন্ত বিশ্ব শৰ্ম্মা (মুখ্যমন্ত্ৰী) ঃ** ছেবা প্ৰত্যক্ষ ভাৱে বা পৰোক্ষ ভাবে জড়িত আছেনে নাই সেইটো পিছৰ কথা। কিন্তু মই ভাবো জড়িত নাই। এই কাৰনেই যে তদন্ত প্ৰক্ৰিয়াই ছেবা জৰিত হোৱাৰ কোনো কথাক ইংগিত প্ৰদান কৰা নাই। ছেবা মানে এজন controller, অনুষ্ঠান এটা নজনাকৈ ডি জেনেৰেট কৰি দিয়া, আন্দোলন কৰা, পিকেটিং কৰা এই প্ৰৱনতাটো মই কেতিয়াওঁ সমৰ্থন নকৰো। we have pinpointed the accused কোন জন মানুহ এতিয়া আমি চিনি পাওঁ, তেওঁ যদি কয়, যে মোক কোনোবাই আৰু ওপৰত সহায় কৰিছে। সেই ব্যক্তিজনৰ বিৰুদ্ধে শাস্তি লোৱা হ'ব। ছেবা এটা অনষ্ঠান, ছেবাৰ বিৰুদ্ধে ব্যৱস্থা লোৱাৰ কোনো কথা টো নাই। কোনোবা এজন ব্যক্তি ক'ৰবাত জড়িত হ'ব পাৰে, সেই ব্যক্তিজনক আমি লৈ আহিম। কিন্তু আমাৰ পাৰম্ভিক তদন্তই গুৱাহাটীলৈকে জড়িত হোৱাৰ কোনো সংকেত দিয়া নাই। এটা নিৰ্দীষ্ট স্থানত নিৰ্দীষ্ট এটা ঘটনা হৈছিল। চাৰিখন জিলালৈকে ই বিয়পিছিল। মোৰ ধাৰনা আমি তাক চিনাক্তকৰণ কৰিব পাৰিছো। আৰু নিৰ্দীষ্ট কৰিব পাৰিছো। হয়তু অহা কালি বা আজি গধুলি ইয়াৰ বিষয়ে আৰক্ষীৰ ডি জি পি য়ে আপোনালোকক জনাব, আৰু তদন্ত প্ৰক্ৰিয়াত যদি কাৰোবাৰ আৰু নাম আৰু আহে, নিশ্চয়কৈ আমি তদন্ত কৰিম। কিন্তু ৪৮ ঘণ্টাৰ ভিতৰতে এই কেছটো আমি crack কৰিবলৈ সক্ষম হৈছো। আমি গম পাম যে আগতো কিবা এনেকুৰা চলি আছিল নেকি ? গোটেই ঘটণাখিনি আমি গম পাম আৰু মই ভাবো, যে অকনমান আৰক্ষীক ৪৮ ঘণ্টা সময় দিয়াৰ আগতেই ই দোষী হয়েই , অমুকেই দোষী, অমুকৰ পদত্যাগ, ইমান দূৰলৈকে যাতে আগুৱাই নাযায়, সেই কাৰণে

দুদিন মই নিৰৱ হৈ আছিলো। যাতে ঘটনাটোৰ আমি গভীৰতালৈ যাব পাৰো। কৰায়ত্ব হোৱাৰ পাছত সকলোৰে মানুহজন দেখাই পাব। দেখা পালে, তেওঁ কাৰোবাৰ লগত জড়িত আছিল নেকি তদন্তত সেইটো ওলাব।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ।

**শ্ৰীদেৱব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰীৰ পৰা মই জানিব বিচাৰিম কথাটো ওলাইছে যে বিজ্ঞানৰ প্ৰশ্নকাকত ফাদিল হৈছিল আৰু বাতৰি ওলাইছিল যে, অংকৰো হৈছিল। এই বিষয়ে যদি অকনমান কৈ দিয়ে আৰু ছেৱা সংস্কাৰৰ পৰামৰ্শৱলী চৰকাৰৰ ওচৰত জমা আছে। ছেৱা সংস্কাৰৰ পৰামৰ্শৱলী গ্ৰহণ কৰিব নেকি?

**ডঃ হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী)** ঃ অধ্যক্ষ মহোদয়, ছেবা সংস্কাৰৰ নহয়। এইটো মানুহৰ স্বভাৱৰ সংস্কাৰ লাগিব। যদি এজন প্ৰিঞ্চিপালৰ ওচৰত প্ৰশ্নকাকত থোৱা হয় আৰু প্ৰিঞ্চিপালজনেই যদি মুকলি কৰি দিয়ে, তাত ছেৱাৰ সংস্কাৰে কি সলনি কৰিব? আমি যিটো কেছ পাইছো, মোক কালি বিত্তমন্ত্ৰী ডাঙৰীয়ানীয়ে বাজেটখন দিছে। মই যদি প্ৰেছত দি দিওঁ, ইয়াত সংস্কাৰ কি হ'ব? মানুহৰ জীৱনৰ সংস্কাৰ লাগিব। সেই কাৰনে ক'ৰবাত ক'ৰবাত কঠোৰ হোৱাৰ কথা কলে, আমি বেলেগ লাইনত লৈ যাওঁ এইটো নহয়। কালি যদি বিত্তমন্ত্ৰী ডাঙৰীয়ানীয়ে নিজে গৈ বাজেটখন কাৰোবাক এৰি দিয়ে তাত কোনে কি কৰিব? কালি যদি প্ৰধান সচিবে নিজে বাজেটখন খুলি দিয়ে তাত সংস্থাৰ সংস্কাৰৰ প্ৰয়োজন নাই, মানুহৰ জীৱনৰ সংস্কাৰৰ প্ৰয়োজন আছে। এতিয়ালৈকে আমি যিটো ঘটনা গম পাইছো তিনিজন শিক্ষক আৰু এজন চেন্টাৰ ইনচাৰ্জ, তেওঁলোকৰ হাতত টো প্ৰশ্ন কাকত দিব লাগিব। ছেবাই যিমানেই সংস্কাৰ নকৰক কিয়, পৰীক্ষাৰ আগমুহূৰ্তত প্ৰশ্নকাককতখন প্ৰধান শিক্ষকৰ হাতত দিবই লাগিব। এতিয়া এনেকুৱা হ'ব পাৰে, যে প্ৰধান শিক্ষকজনক দুদিন আগৰ পৰা জেলত থৈ দিব লাগিব। তেওঁ যাতে ক'তো ওলাই সোমাই নাথাকে। ইয়াত হৈছে মানুহৰ জীৱনৰ সংস্কাৰ লাগিব। আজি এই ঘটনা বিলাক হয়, আমি লগে লগে ব্যৱস্থা হাতত লম, এৰেষ্ট কৰিম, দৃষ্টান্তমুলক শাস্তি দিম যাতে ভৱিষ্যতে নহয়। কিন্তু মানুহৰ চৰিত্ৰ সংস্কাৰ কৰা , কোনে পাৰিব কোনে নোৱাৰিব বেলেগ কথা, আৰু মই এইটো কথাওঁ deny নকৰো যে এজন মানুহেই যে অকল বিজ্ঞানৰ প্ৰশ্নকাকত খনে ফাদিল কৰিছে, তেনেকুৱাটো হ'ব নোৱাৰে। তেওঁ যদি ফাদিল কৰিয়েই আছিল, শেষৰ দিনা বিজ্ঞানৰ পৰীক্ষা আছিল যে এই বছৰ আৰু কালেকশ্যন ন'হব শেষৰ দিনা তেওঁ বেছি মুকলি কৰি দিলে, এখন প্ৰশ্নকাকত ২০০ টকাৰ পৰা ৬০০০ টকালৈকে বিক্ৰী হৈছে। গতিকে আজি আমি ইয়াতে ঠিয় হৈ ক'ব নোৱাৰো যে তেওঁ আগতে লিক কৰিছিল নে নাই? তেওঁ যেতিয়া custodial interrogation হ'ব, custodial interrogation ত আমি গম পাম তেওঁৰ এইটো অভ্যাস আছিল, তেওঁৰ লগত আৰু কিমান ডাঙৰ চক্ৰ জড়িত হৈ আছিল। কিন্তু আজিৰ দিনত এইটো সন্তোসজনক যে ৪৮ ঘন্টাৰ ভিতৰত আমি সঠিক kingpin জনক আমি জুম কৰিছো, kingpin জনক আমি লৈ আহিব পাৰিছো, electronic evidence পাইছো, গোগোল জি পেৰ evidence পাইছো, যিমানখিনি evidence লাগে আমি গোটেইখিনি যোৱাকালি ৰাতিয়েই আমি পাইছিলো। কিন্তু বিত্ত মন্ত্ৰী ডাঙৰীয়ানীয়ে বাজেট দিব কাৰনে মই প্ৰথমতে কোৱা নাছিলো। গোটেইখিনি আমি প্ৰক্ৰিয়া শেষ কৰিলো। ওপৰত যদি আৰু কোনোবা জড়িত আছে, বা তলত কোনোবা জড়িত আছে আমি গোটেই নেটৱৰ্কটো পাম। কিন্তু ছেবাৰ সংস্কাৰ যিমানেই নহওঁক কিয়, প্ৰধান শিক্ষকৰ ভুমিকাটো আমি কেনেকৈ নোহোৱা কৰিব পাৰিম। গতিকে বিষয় বস্তুটোৰ পৰা ছেবাক দূৰত ৰখাটো ভাল। ছেবা

সংস্কাৰৰ কথাটো নাই। এটা নহয় এটা সময়ত গৈ প্ৰধান শিক্ষকক প্ৰশ্নকাকতখন দিবই লাগিব। তেতিয়া প্ৰধান শিক্ষকজনক সংস্কাৰ কৰিব লাগিব। এটা দুটা দৃষ্টান্তমুলক শাস্তি ললে, মই ভাবো পৰিবেশটো ঠিক হ'ব।

**শ্ৰী ভৰত চন্দ্ৰ নৰহ, (নাওবৈছা)** ঃ মাননীয় অধ্যক্ষ মহোদয়, সেইদিনাটো দেওবাৰ আছিল, পৰীক্ষা আছিল সোমবাৰে দেওবাৰে ৰাতি পুৱাই পেপাৰ লিক হৈছে।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, চিচষ্টেমটো এনেকুৰা যে আপোনালোকে তদন্তৰ বিষয়ে মোক বেছিকৈ সোধাৰ এতিয়া সময় নহয়। কথাটো হ'ল ইয়াত থানাৰ কোনো ৰোল নাথাকে, এটা মাত্ৰ, থানাই বস্তুটো ৰাখে, এটা আলমাৰী থাকে, প্ৰধান শিক্ষকজনে আহে, খোলে আৰু লৈ যায়। বাকচটোৰ ভিতৰত গোটেইকেইখন প্ৰশ্নকাকত থাকে। তেওঁ যদি পিছদিনা হ'ব লগা পৰীক্ষাৰ প্ৰশ্নকাকতখনো আগদিনা লৈ যায়, থানাই সেইটো দায়িত্ব নলয়। থানাই কেৱল safe custody ত ৰাখে যাতে ইয়াৰ পৰা কোনোৱে লৈ যাব নোৱাৰে। confidential চাবিটো কেৱল প্ৰধান শিক্ষকৰ হাতত যাতে বা চেন্টাৰ ইনচাৰ্জৰ হাতত থাকে। তেওঁ খোলে আৰু তেওঁৱে বন্ধ কৰে। দেও বাৰে ও লৈ যাব পাৰে সোম বাৰেও লৈ যাব পাৰে। সম্পুৰ্ণ ত্ৰিশ দিনৰ প্ৰশ্ন কাকত একে লগে থাকে। যিকোনো এদিনতে তেওঁ প্ৰশ্নকাকত এখন ল'ব পাৰে। যিদিনা মেট্ৰিক পৰীক্ষা আৰম্ভ হয়, তাৰ দুদিন আগত প্ৰশ্নকাকত সমূহ থানাত গৈ জমা হয়। চাবিটো থাকে প্ৰধান শিক্ষকজনৰ লগত। গতিকে তেওঁ অংকৰ প্ৰশ্ন কাকতখন খুলিবলৈ গৈ অসমীয়াৰ পেপাৰখনো খুলিব পাৰে। তেওঁক কোনেও নাচায় আৰু প্ৰত্যেকদিনাই ছেৰাই প্ৰশ্নকাকত নপঠিয়াই। ন শ খন গাৱত প্ৰত্যেক দিনাই ন শ টা চেন্টাৰত প্ৰত্যেক দিনাই প্ৰশ্নকাকত নপঠিয়াই। এবাৰতে য'ত প্ৰিন্টিং কৰাই তাৰ পৰাই পোনে পোনে আহে। মাজত কতো নাথাকে। যে বিধান সভাত থাকে এটা ৰুম, অধ্যক্ষ মহোদয়ে দি দিয়ে, থানাৰ dutyটো হ'ল, খালী ৰুমটো দিয়া। তলা খোলা আৰু নোখোলাটো হ'ল চেন্টাৰ ইনচাৰ্জ জনৰ কথা। এতিয়া যদি চেন্টাৰ ইনচাৰ্জ জনে interrogation ত কয় যে মোৰ লগত থানাও জড়িত হৈ আছে, থানাও এৰেষ্ট হ'ব। কিন্তু আজি মই কেনেকৈ কম ? যেতিয়ালৈকে চেন্টাৰ ইনচাৰ্জ জনক এৰেষ্ট কৰা নহয়, সেই মুহুৰ্তলৈকে মই কেনেকৈ ক'ব পাৰো যে, তাত লগত আৰু কোন আছে। গতিকে অলপ দেৰিটো অপেক্ষা কৰিবই লাগিব। আৰু বিধান সভাখন আমি কোৰ্ট লৈকে ৰূপান্তৰিত কৰিব নালাগে। sufficient information has been shared.

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ** অলপ দেৰিটো অপেক্ষা কৰিবই লাগিব। বিধান সভাখন আমি কোৰ্টলৈ কনভাৰ্ট কৰিব নালাগে। Sufficient information has been shared.

**শ্ৰী কমলাক্ষ দে পুৰকয়স্থ (উত্তৰ কৰিমগঞ্জ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই বিষয়ত এটা চাজেশ্যন আছিল।

**মাননীয় অধ্যক্ষ ঃ** এই বিষয়ত পিছত আলোচনা হ'ব। তেতিয়া বাকী কথাখিনি ক'ব। এইটো ডিচকাশ্যন নহয়, ষ্টেটমেণ্ট এটা।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ** আজি যিমানখিনি ইনফ'ৰমেশ্যন দিব লাগে, মই সিমানখিনি ইনফ'ৰমেশ্যনেই দিছো। কিন্তু মোক যদি সুধি থাকে মই ও টো পুলিচক ইমানখিনি সুধিব পৰা নাই। মই যিটো whatsapp পাইছো সেইটোহে কৈ দিছো।

**মাননীয় অধ্যক্ষ ঃ** আমি সেই বিষয়ে পিছত আলোচনা কৰিম। এতিয়া আমাৰ সকলো সদস্যক মই জনাব বিচাৰিছো যে আমাৰ বাজেট আৰু G -20 ৰ briefing তিনিটা বজাত আছিল। যিহেতু বাজেট সোনকালে শেষ হ'ল গতিকে যিমান সোনকালে লাঞ্চটো কৰিব বাজেট brief-

ing টো সিমান সোনকালে হ'ব আৰু এই briefing টো গোপীনাথ বৰদলৈ ভৱনত অনুষ্ঠিত হ'ব। আমাৰ কৃষি বিভাগৰ পৰা মিলেট আহাৰ লাঞ্চটো দিয়া হৈছে। গতিকে সকলো সন্মানীয় সদস্য-সদস্যা বিষয়া আৰু সাংবাদিক সকলক মই আহাৰ গ্ৰহণ কৰিবৰ বাবে অনুৰোধ কৰিছো। কাৰ্য্য উপদেষ্টা সমিতিৰ বৈঠক এতিয়া লগে লগে অনুষ্ঠিত হ'ব।

**সদন অহা কালি ১৭-০৩-২০২৩ তাৰিখ ৰাতিপুৱা ৯ঃ০০ বজালৈ স্থগিত ৰখা হ'ল।**